সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৭ সংখ্যা, ৩০ মাঘ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 7 * Date Of Publication - 13 February 2022 Rs.10.00/-

## উত্তৰাখণ্ডৰ বিধানসভা নিৰ্বাচনত তাৰকা প্ৰচাৰক হিচাপে বিশাল নিৰ্বাচনী সভাত অংশ গ্ৰহণ অসমৰ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই উত্তৰাখণ্ডৰ বিধানসভা নিৰ্বাচনত তাৰকা প্ৰচাৰক হিচাপে ৰাজ্যখনৰ কিছাৰত বিশাল নিৰ্বাচনী সভাত অংশ লয়। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী সভা সম্বোধন কৰি শতিকাপুৰণি কংগ্ৰেছ দলটোক কঠোৰ ভাষাৰে সমালোচনা কৰিশেহতীয়াভাৰে দেশত বিতৰ্কিত হিজাবৰ ৰাজনীতিৰ আঁৰত কংগ্ৰেছ জড়িত থকাই নহয়, দলটোক জগৰীয়া কৰে। কংগ্ৰেছৰ ডি এন এত তুষ্টিকৰণ ৰাজনীতি নিহিত হৈ থকা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ভোট লাভৰ বাবেই দলটোৱে মুছলমানক তুষ্টিকৰণেৰে অহৰহ ৰাজনীতি কৰি আহিছে। দলটোৱে মুছলমান সম্প্ৰদায় আগবাঢ়ি যোৱাৰ বাবে কাম কৰাৰ বিপৰীতে দলটোৱে মুছলমানক পিছপৰি থকাটো বিচাৰে। এনে কাৰণতেই মাদ্ৰাছা আৰু হিজাবক পৃষ্ঠপোষকতা কৰি আহিছে দলটোৱে। কংগ্ৰেছে মুছলিম কন্যাই চিকিৎসক-অভিযন্তা হোৱাৰ বিপৰীতে হিজাবৰ মাজতেই আবদ্ধ কৰি ৰাখিব বিচাৰে। ইপিনে চৰকাৰৰ কৃতিত্বৰ ওপৰত প্ৰশ্ন উত্থাপন কৰি কংগ্ৰেছে দেশক সদায়েই অৱহেলা কৰি থকাটো দুৰ্ভাগ্যজনক আখ্যা দি মুখ্যমন্ত্ৰী ডং শৰ্মাই কয়- উত্তৰাখণ্ডৰ সন্তান তথা দেশৰ প্ৰথমগৰাকী চি ডি এছ প্ৰয়াত

(দুই পৃষ্ঠাত চাওক)

## সম্পাদকীয়ঃ শ্ৰদ্ধাঞ্জলি


পদ্মভূষণ, পদ্মবিভূষণ, দাদা চাহেব ফাল্কে, ভাৰত ৰত্ন আদি বিভিন্ন অলংকাৰে অলংকৃত সদা শুভ্ৰ বসন পৰিহীতা এগৰাকী দেৱী সৰস্বতী। যি আমাক সকলোকে কন্দুৱাই ইন্দ্ৰ ৰাজসভা শুৱনি কৰিবলৈ গুছি গ'ল সৰস্বতী পূজাৰ বিসৰ্জনৰ দিনা। অৰ্থাৎ ২০২২ চনৰ ছয় ফেব্ৰুৱাৰীৰ দিনা। যাৰ কণ্ঠৰে নিগৰিত হৈছিল হাজাৰ বিজাৰ কালজয়ী গীত ।সুদূৰ "প্ৰভুকুঞ্জ" ত থাকিও গোন্ধ পাইছিল অসমৰ মাটিৰ। প্ৰখ্যাত সঙ্গীত পৰিচালক নৌচাদ আলিয়ে কৈছিল "লতাৰ দৰে সংগীত প্ৰতিভা মই কোনোদিনে পোৱা নাই। বিভিন্ন মাধ্যমত এনে সৌভাগ্যশালী কোনোবাই জন্ম পাই যাৰ শিৰত ঈশ্বৰে হাত ৰাখে ।লতা তেনে এগৰাকী শিল্পী।" ১৯২৯ চনৰ ২৮ ছেপ্তেম্বৰত মধ্যপ্ৰদেশৰ ইন্দোৰত শিৱন্তিৰ ঔৰসত জন্ম লাভ কৰিছিল সংগীত জগতৰ কিংবদন্তীৰ সুৰসম্ৰাজ্ঞী লতা মংগেশকাৰে। পিতৃৰ নাম আছিল দীননাথ মংগেশকাৰ। লতা মংগেশকাৰৰ প্ৰকৃত নাম আছিল হেমা। তেখেতৰ পিতৃ এগৰাকী মাৰাঠী সঙ্গীতজ্ঞ আৰু মঞ্চাভিনেতা আছিল। লতা মঙ্গেশকাৰ ১৩ বছৰ হওঁতেই দেউতাকৰ মৃত্যু হৈছিল। লতা মঙ্গেশকাৰৰ তিনিগৰাকী ভনীয়েক আৰু এজন ভায়েক আছিল। দেউতাকৰ মৃত্যুৰ পিছত মাক ভনীয়েক, ভায়েকৰ সমস্ত দায়িত্ব লতাৰ ওপৰতেই পৰিছিল। সেইবাবেই শৈশৱৰ পৰাই লতা মংগেশকাৰে নিচা আৰু পেচা দুয়োটাৰ বাবেই সংগীতক বাছি লৈছিল। সঁচাই তেওঁৰ কণ্ঠত যাদু আছিল। প্ৰথম অৱস্থাত তেখেতে বহু সংগ্ৰাম কৰিব লগা হৈছিল যদিও পৰবৰ্তী সময়ত তেখেতে সংগীত জগতত তেখেতৰ নাম চিৰযুগমীয়া কৰি থৈ গৈছে ।এইগৰাকী"Queen of melody" য়ে ৩৬ টা ভাৰতীয় ভাষাত কণ্ঠদান কৰিছিল, প্ৰায় চপ্ত হাজাৰ গানত। তেওঁ ১, ০০০ খনৰো অধিক চলচ্চিত্ৰৰ গীতত কণ্ঠদান কৰিছিল ।লতা মংগেশকাৰ দুখ মাৰ নাযাওতেই আৰু এটা দুখ দি আমাৰ মাজৰ পৰা আঁতৰি গ'ল কপৌ পাহি তোৰে খোপাত ইমান ধুনীয়া দেখিৰ খ্যাত আমাৰ মৰমৰ অূৰ্পব্ব বেজবৰুৱা দেৱে। এইদুইগৰাকী মহান সংগীত শিল্পী লৈ ৰঙিলী বাৰ্ত্তাৰ পৰিয়ালবৰ্গৰ তৰফৰ পৰা যাচিছো একাজলি অশ্ৰু অঞ্জলি।

## পৌৰসভা নিৰ্বাচনৰ বাবে তৎপৰ হৈ পৰিছে বিজেপি



ৰঙিলী বাৰ্ত্তাসেৱা- পৌৰসভা নিৰ্বাচনৰ বাবে তৎপৰ হৈ পৰিছে বিজেপি। নিৰ্বাচনৰ দিন ঘোষণাৰ পূৰ্বৰে পৰা বিজেপিয়ে এইবাৰ বিৰোধীক ক্লীন ছুইফট কৰাৰ লক্ষ্যৰে আৰম্ভ কৰিছে কামকাজ। ইয়াৰ বিপৰীতে বিৰোধী ৰাজনৈতিক দলসমূহৰ নিষ্প্ৰভ তথা তৎপৰতাহীনতাই তৃণমূল কৰ্মীক যথেষ্ট হতাশ কৰিছে। অহা ৬ মাৰ্চত হ'বলগীয়া পৌৰসভাৰ ৮০খন আসনত আটাইকেইখনতে বিজেপি নেতৃত্বাধীন মিত্ৰজোটে প্ৰতিদ্বন্দ্বিতা কৰিব। কংগ্ৰেছেও এককভাৱে আটাইকেইখন আসনত প্ৰতিদ্বন্দ্বিতা কৰাৰ প্ৰস্তুতি চলাইছে। এনে তৎপৰতাৰ মাজতে কৰিমগঞ্জত জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাৰ মন্তব্য- বিজেপিয়ে ৭৫খন আসন দখল কৰিব। মন্ত্ৰীগৰাকীয়ে কটাক্ষ কৰি কয় যে এইবাৰ নিৰ্বাচনত কংগ্ৰেছে এখনো আসন লাভ নকৰে। দুই-এখন আসন হয়তো এ আই ইউ ডি এফে লাভ কৰিব পাৰে। কিন্তু কংগ্ৰেছ এইবাৰ শূন্য হ'ব। নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছতেই উজনি অসমত বিজেপিয়ে আৰম্ভ কৰিছে নিৰ্বাচনী তৎপৰতা।

## এহাল দম্পতীয়ে বহিঃৰাজ্যত চলাইছিল নাৰীদেহৰ ৰমৰমীয়া ব্যৱসায়



ৰঙিলী বাৰ্ত্তাসেৱা- নাৰী তুমি অনন্যা, তুমিয়ে সৃষ্টিৰ মূল। কিন্তু একাংশ দুষ্টচক্ৰই, নাৰীক লৈ আৰম্ভ কৰিছে ব্যৱসায়। ৰাজ্যত এতিয়া সঘনাই সংঘটিত হব ধৰিছে নাৰীদেহ ব্যৱসায়ৰ ঘটনা। যোৱা নিশা বটদ্ৰৱা

(দুই পৃষ্ঠাত চাওক)

# নিখিল ৰাভা ছাত্ৰ সন্থাৰ ১৮ সংখ্যক আৰু নিখিল ৰাভা মহিলা পৰিষদৰ ১১ সংখ্যক কেন্দ্ৰীয় যুতিয়া দ্বি-বাৰ্ষিক অধিৱেশন



ৰঙিলী বাৰ্ত্তাসেৱা- সদৌ ৰাভা ছাত্ৰ সন্থা আৰু সদৌ ৰাভা মহিলা পৰিষদৰ উদ্যোগত আৰু ওদালগুৰি জিলা আৰু আঞ্চলিক ৰাভা ছাত্ৰ সন্থা সমূহৰ সহযোগত ওদালগুৰি জিলা ভেৰগাঁৱত অহা ১৮ ফেব্ৰুৱাৰীৰ পৰা ২০ ফেব্ৰুৱাৰীলৈ তিনিদিনিয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব নিখিল ৰাভা ছাত্ৰ সন্থাৰ ১৮ সংখ্যক আৰু নিখিল ৰাভা মহিলা পৰিষদৰ ৰৰ সংখ্যক কেন্দ্ৰীয় যুতিয়া দ্বি-বাৰ্ষিক অধিৱেশন। যাৰ বাবে উদ্যোগক্তা সকলে ব্যাপক ৰূপত আয়োজন চলাই থকাৰ পৰিলক্ষিত হয়। অহা ১৮ ফেব্ৰুৱাৰী তাৰিখৰ পুৱা ১০ বজাৰ পৰা পতাকা উত্তোলণৰ লগতে অতিথি শালা, সভগৃহ, মঞ্চ ইত্যাদি শুভ মুকলি কাৰ্যসূচীৰে আৰম্ভ কৰি ২০ ফেব্ৰুৱাৰী দিনা মুকলি সভা অনুষ্ঠিত কৰিব। আৰু উক্ত মুকলি সভাত ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ টংকেশ্বৰ ৰাভাৰ লগতে, বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিটিআৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, প্ৰমুখ্যে মুখ্য আতিথী হিচাপে ৰজ্যিক শিক্ষামন্ত্ৰী ড° ৰণোজ পেগুৰ লগতে কেন্দ্ৰীয় ৰাভা ছাত্ৰ সন্থা, কেন্দ্ৰীয় ৰাভা মহিলা পৰিষদৰ বিভিন্ন বিষয়ববীয়াৰ উপস্থিতি কেইবাগৰাকী বিধায়ক, কাৰ্যবাহী, পাৰিষদ, তথা সমাজ কৰ্মীৰ লগতে, বিভিন্ন ছাত্ৰ সংগঠনৰ নেতা নেতৃ বৰ্গৰ উপস্থিতিত ৰাইজৰ বিপুল সমাগমত অনুষ্ঠান সম্পন্ন কৰিব। সেয়েহে প্ৰতিটো জাতি জনগোষ্ঠীৰ ৰাইজক উক্ত অধিৱেশনখনিত অংশ গ্ৰহণ কৰি সহায় সহযোগিতাৰ লগতে সফলভাৱে চলাই নিয়াত অৰিহণা আগবঞ্জাবলৈ উদ্যোগক্তা সকলে আহ্বান জনাই।

# ১৫ দিনীয়া প্ৰশিক্ষণ কাৰ্য্যসূচীৰ শুভাৰম্ভণি অনুষ্ঠানত মুখ্য অতিথি ৰূপে অংশ গ্ৰহণ উপায়ুক্ত নিসৰ্গ হিভাৰে গৌতমৰ



ৰঙিলী বাৰ্ত্তাসেৱা- "প্ৰশিক্ষণ কেতিয়াও চাৰ্টিফিকেট(প্ৰমান পত্ৰ)ৰ বাবে হব নালাগে প্ৰশিক্ষণৰ শেষত কাৰ্যক্ষেত্ৰত প্ৰয়োগেই হৈছে মূল প্ৰমান পত্ৰ।" এইমন্তব্য নগাঁও জিলাৰ উপায়ুক্ত নিসৰ্গ হিভাৰে গৌতমৰ। অসম কৃষি বিশ্ববিদ্যালয় যোৰহাট আৰু ৰাজ্যিক কৃষি বিভাগৰ যুটীয়া উদ্যোগত তথা কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ তত্বাৱধানত কৃষি সামগ্ৰী ব্যৱসায়ীৰ ১৫ দিনীয়া প্ৰশিক্ষণ কাৰ্য্যসূচীৰ শুভাৰম্ভণি অনুষ্ঠানত মুখ্য অতিথি ৰূপে অংশ গ্ৰহণ কৰি উপযুক্ত গৰাকীয়ে লগতে কয় যে, কৃষি সামগ্ৰী ব্যৱসায়ী সকলে একাগ্ৰতাৰে প্ৰশিক্ষণ গ্ৰহণ কৰি পৰবৰ্তী সময়ত নিজৰ অঞ্চলৰ কৃষক সকলক প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰিলে কৃষকৰ আয় বৃদ্ধি হব। শিমলুগুৰিস্থিত কৃষি বিজ্ঞান কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰি কেন্দ্ৰটিৰ মুৰব্বী ড° নিৰঞ্জন ডেকাই "আনুষ্ঠানিক কৃষি শিক্ষা নথকা কৃষি সামগ্ৰী ব্যৱসায়ী সকলক এই ১৫ দিনীয়া প্ৰশিক্ষণৰ দ্বাৰা প্ৰয়োজনীয় জ্ঞানেৰে সমৃদ্ধ কৰি উপযুক্ত সময়ত কৃষক সকলৰ বাবে প্ৰয়োজনীয় সামগ্ৰী সমূহ মজুত ৰাখি সহায় কৰাৰ, লগতে কৃষক সকলক সমন্বিত কৃষি ব্যৱস্থাপনা, সমন্বিত কীট নিয়ন্ত্ৰণ, গৰু ছাগলীৰ খাদ্য, পোহপাল ইত্যাদি বিভিন্ন কৃষি প্ৰযুক্তিৰ পৰামৰ্শ প্ৰদানৰ জড়িয়তে কৃষক সকলৰ উত্তম কৃষি কাৰ্যত সহায়ক হব" বুলি মন্তব্য কৰে। নগাঁও আৰু হোজাই জিলাৰ ২৫ গৰাকী কৃষি সামগ্ৰী ব্যৱসায়ীয়ে অংশ গ্ৰহণ কৰা এই প্ৰশিক্ষণ কাৰ্য্যসূচীৰ শুভাৰম্ভণি অনুষ্ঠানত উপস্থিত থাকি নগাঁও জিলাৰ কৃষি বিষয়া তৰুন হাজৰিকা, জেষ্ঠ কৃষি উন্নয়ন বিষয়া দিলীপ বৰা, হোজাই জিলা কৃষি বিষয়া পৰাগ মহন্ত, আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ চিলঙনীৰ মুখ্য বিজ্ঞানী ড° অমল চন্দ্ৰ শৰ্মাই ভাষন প্ৰদান কৰে। কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ মীন বিজ্ঞানী ধীৰেন চন্দ্ৰ নাথ আৰু ভূমি বিজ্ঞানী দিপেন চন্দ্ৰ নাথে আঁত ধৰা অনুষ্ঠানটিত শস্য বিজ্ঞানী ড° বন্তি গগৈকে প্ৰমুখ্য কৰি কেন্দ্ৰটিৰ সকলো বিজ্ঞানীয়ে অংশ গ্ৰহণ কৰে।

# মৈৰাবাৰীত বাটৰ কবিতা জানুৱাৰী মাহৰ কাব্য সংকলন উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ 'খাইৰ প্ৰকাশন'ৰ উদ্যোগত ২০১৫ চনৰ ১০ জানুৱাৰীৰ পৰা প্ৰতি ইংৰাজী মাহৰ ১০ তাৰিখে নিয়মীয়াকৈ অনুষ্ঠিত হৈ অহা সম্প্ৰীতিৰ অভিনৱ কাব্যানুষ্ঠান 'বাটৰ কবিতা' ১০ ফেব্ৰুৱাৰীৰ বিয়লি অতি গাম্ভীৰ্যপূৰ্ণ ৰূপত মৈৰাবাৰী কলেজ ৰোডত 'খাইৰ প্ৰকাশন'ৰ কাৰ্যালয়ৰ সন্মুখত অনুষ্ঠিত হৈ যায়। ব্যতিক্ৰমী কাব্যানুষ্ঠানটি সঞ্চালনা কৰে জেষ্ঠ সাংবাদিক, কবি বদৰুজ জামান আকতাৰে আৰু উদ্দেশ্য ব্যাখ্যা কৰে 'বাটৰ কবিতা'ৰ সমন্বয়ক তথা 'খাইৰ প্ৰকাশন'ৰ স্বত্বাধিকাৰী কবি খাইৰুল ইছলামে। কাব্যানুষ্ঠানত স্বৰচিত কবিতা পাঠ কৰে ক্ৰমে মোফাছেল আহমেদ, ইয়াচমিন আৰা বেগম, মুহাম্মাদ আফজাল, খাইৰুল ইছলাম, আতিক আহমেদ, খালিদ মহম্মদ জাকাৰীয়া হুছেইন আৰু সঞ্চালক বদৰুজ জামান আকতাৰে। অনুষ্ঠানত গীত পৰিৱেশন কৰি সকলোকে মুগ্ধ কৰে জিন্নাতুল ইছলাম আৰু আশ্ৰাফুল হকে, লগতে কবিতা আবৃত্তি কৰে স্কুলীয়া বিদ্যাৰ্থী মুহাম্মাদ ফাহিমে। অনুষ্ঠানত পঠিত কবিতাসমূহৰ নিৰ্মোহ পৰ্যালোচনা আগবঢ়ায় যুৱ কবি, লেখক মুহাম্মাদ আফজালে। উল্লেখ্য যে আজিৰ কাব্যানুষ্ঠানত খাইৰ প্ৰকাশনৰ উদ্যোগত কবি খাইৰুল ইছলাম আৰু মুহাম্মাদ আফজালৰ সম্পাদনাৰে ২০২২ বৰ্ষৰ ১০ জানুৱাৰীত পঠিত কবিতাসমূহৰ এক সংকলন প্ৰকাশ পায়। 'বাটৰ কবিতা' (জানুৱাৰী সংখ্যা) নামেৰে প্ৰকাশিত সংকলনটি শুভ উন্মোচন কৰে কবি বদৰুজ জামান আকতাৰ প্ৰমুখ্যে উপস্থিত বাটৰ কবিসকলে। তৰুণ কবিৰ প্ৰতিভা বিকাশৰ উৎকৃষ্ট ক্ষেত্ৰ এই মাহেকীয়া কাব্যানুষ্ঠানটিত অংশগ্ৰহণ কৰিব বিচৰা আগ্ৰহী কবিসকলে অনুষ্ঠানটিৰ যুটীয়া সমন্বয়ক ক্ৰমে খাইৰুল ইছলামক ৮৪৮৬২-৮৯৪৫৪ আৰু মুহাম্মাদ আফজালক ৯৫০৮১-৫৩৮০২ ফোন নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তা খাইৰ প্ৰকাশনে আহ্বান জনাইছে।

# উত্তৰাখণ্ডৰ বিধানসভা

জেনেৰেল বিপিন ৰাৱাৰ্টৰ নেতৃত্বত হোৱা ভাৰতীয় সেনাৰ ছাৰ্জিকেল ষ্ট্ৰাইকক লৈ প্ৰশ্ন তুলি দলটোৱে চি ডি এছ জেনেৰেল ৰাৱাকৈ অসম্মান কৰিছে। বিপিন ৰাৱাটক প্ৰশ্ন কৰা ৰাহুল গান্ধীক আমি কাৰ সন্তান প্ৰমাণ বিচাৰিছোঁ নেকি? তদুপৰি মেড ইন ইণ্ডিয়া তথা দেশীয়ভাৱে প্ৰস্তুত কৰা ক'ভিড ভেকচিনৰ সক্ষমতাক লৈ প্ৰশ্ন তুলিও দেশবাসীক ইতিকিং কৰিছে দলটোৱে। কংগ্ৰেছৰ বিৰুদ্ধে অধিক আক্ৰমণাত্মক হৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় - কংগ্ৰেছে মেৰুকৰণৰ ৰাজনীতি কৰি আহিছে। কেতিয়াবা মই অনুভৱ কৰোঁ যে জিন্নাৰ আত্মাই এতিয়া কংগ্ৰেছত প্ৰৱেশ কৰিছে।

# এহাল দম্পতীয়ে

আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কুমুদ গগৈৰ নেতৃত্বত বটদ্ৰৱা আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি বটদ্ৰৱাৰ বৰভেটী গাৱঁৰ মফিজ উদ্দিনৰ গৃহৰ পৰা আটক কৰিবলৈ সক্ষম হয় এই চক্ৰটোক। জানিব পৰা মতে, জুৰীয়া কান্ধুলিমাৰিৰ ৰিজাউল হুছেইন আৰু তেওঁৰ দ্বিতীয় পত্নী ৰেণুমা খাতুন নামৰ এই দম্পতীহালে বহুদিনৰ পৰাই দৰিদ্ৰ পৰিয়ালৰ নাবালিকা কিশোৰী সকলক লক্ষ্য কৰি লয় আৰুবিভিন্ন প্ৰলোভন দি বহিঃৰাজ্যলৈ লৈ গৈ চলাই আছে দেহ ব্যৱসায়। উল্লেখ্য যে, ৰিজাউল হুছেইনৰ প্ৰথম পত্নীৰ লগতে আছে দুই সন্তান কিন্তু লম্পটটোৱে নলয় কোনো খবৰ, বহু দিনৰ পৰাইএই দম্পতীহাল নাৰী দেহ ব্যৱসায়ৰ লগত জৰিয়ত থকা বুলি প্ৰথম পত্নীয়েও কৰিছে অভিযোগ। বটদ্ৰৱা আৰক্ষীয়ে এই কাৰ্য্যৰ লগত আৰু কোনো ৰৌ-ভৰালী জড়িত আছে নেকি তাৰ বাবে মাৰথন জেৰা অব্যাহত ৰাখিছে।

# সুৰ সম্ৰাজ্ঞী লতা মঙ্গেশকাৰলৈ শ্ৰদ্ধাঞ্জলী..

**কবিতা শৰ্মা, দিল্লী**



এয়া মোৰ কাৰণে এনে এক সময়.. যি সময়ত মই মোৰ ভাব প্ৰকাশৰ বাবে কোনো ভাষা বিচাৰি পোৱা নাই..যেন ভাষাহীন হৈ পৰিছো! সেই গৰাকী শিল্পী যাৰ কণ্ঠত স্বয়ং সৰস্বতীৰ বাস, যাৰ যাদুকৰী কণ্ঠই সমগ্ৰ সংগীত জগতত ৰসৰ সঞ্চাৰ কৰে, তেওঁৰ মৃত্যু মানি লোৱাটো সহজ কথা নহয়। সকলো সঙ্গীত প্ৰেমীৰ বাবে ই এক দুঃসম্বাদ!

মোৰ বয়স তেতিয়া হয়তো মাত্ৰ ছাৰি-পাচ বছৰ...কব পাৰি পখিলা খেদাৰ বয়স... উৎসুকতাৰে পৃথিৱীখন চাবলৈ আৰম্ভ কৰিছোহে মাত্ৰ, সেই সময়ৰ পৰাই লতা মঙ্গেশকাৰৰ গীত শুনিছিলোঁ। সেই সময়ত আমাৰ ঘৰত ককা-আইতাৰ দিনৰে এটা গ্ৰামোফোন আছিল, যিটোত গান শুনিবলৈ পাম্প দিব লাগিছিল আৰু মাজে মাজে পিনবোৰ সলাব লাগিছিল। ডাঙৰ ডাঙৰ ৰেকৰ্ড, যিবোৰ মাটিত পৰিলেই ভাঙি গৈছিল, সেইবোৰ মাহঁতে অতি আলফুলে বজাইছিল । তেতিয়াৰ পৰাই লতাৰ গান শুনিছিলোঁ। গুন গুনাইছিলো। কেবল লতাৰে নহয় সেই সময়ৰ আন বহুতো প্ৰসিদ্ধ গায়ক গায়িকা- কে এল চাইগল, মহম্মদ ৰফি, মুকেশ, মান্নাদে, হেমন্ত কুমাৰ, গীতা দত্ত, সন্ধ্যা মুখাৰ্জী এইসকলৰ উপৰিও অসমৰ ড° ভুপেন হাজৰিকা, দীপালী বৰঠাকুৰ, বীৰেন দত্ত, খগেন মহন্ত, প্ৰায় সকলোৰে গীত ৰেকৰ্ড বা ৰেডিও ৰ যোগেদি আমি শুনিছিলোঁ। আমাৰ ঘৰত কোনো সঙ্গীত শিল্পী নাছিল যদিও সকলো সঙ্গীত প্ৰেমী আছিল । ঘৰখনত সঙ্গীতৰ পৰিবেশ পাইছিলোঁ । তেতিয়া একো বুজি পোৱা হোৱা নাছিলো যদিও তেতিয়াৰ পৰাই হয়তো লতাৰ সেই অতুলনীয় সুৰীয়া কণ্ঠৰ উমান পাইছিলো, যি মোৰ মন মগজু অধিকাৰ কৰিছিল। হয়তো তেতিয়াৰ পৰা লতা মঙ্গেশকাৰক মনৰ মাজত গুৰুমাৰ ৰূপত স্থান দিছিলোঁ। এই কথা হয়তো কাৰো বিশ্বাসযোগ্য যেন অনুভৱ নহব যে, সেই বয়সতে "জিস দেশ মে গংগা বহতী হ্যায়" বোলছবিৰ-অ' বসন্তী পৱন পাগল.. গীতটো শুনি শুনি গাবলৈ চেষ্টা কৰিছিলো। তেতিয়া নাজানিছিলো যে সেই গীতটো ৰূপক তাল (সাত যাত্ৰা) ত গোৱা হৈছিল । মই একো নুবুজাকৈয়ে মাত্ৰ অনুকৰণ কৰিছিলোঁ।

যা কুন্দেন্দু তুষাৰ হাৰ ধৱলা..এই সৰস্বতী বন্দনা লতাৰ কণ্ঠত শুনিলে এনে লাগে যেন শুভ্ৰ বস্ত্ৰ পৰিহিতা স্বয়ং সৰস্বতীৰ কণ্ঠ..লতাৰ কণ্ঠ শুনি যদি কেতিয়াবা ভক্তি ভাবত, কেতিয়াবা প্ৰেম ভাবত আপ্লুত হওঁ, কেতিয়াবা যদি দুখ আৰু বিৰহ ভাবত অশ্ৰু নিগৰে, কেতিয়াবা আকৌ মন প্ৰাণ আনন্দত নাচি উঠে । গীতে প্ৰতি এনেদৰে নব ৰসৰ সৃষ্টি কৰিব পৰা কণ্ঠ শিল্পীৰ দৃষ্টান্ত সচাকৈয়ে বিৰল। নেপথ্য কণ্ঠ শিল্পী হিচাপেও তেওঁৰ সমকক্ষ বিচাৰি পোৱা কঠিন। ছাৰি বছৰীয়া শিশুৰ কণ্ঠ হওক বা চঞ্চলা কিশোৰীৰ কণ্ঠ হওক, বয়সে গৰকা অভিজ্ঞতা পুষ্ট নাৰীৰ কণ্ঠই হওক, গাঁৱৰ সহজ সৰল ছোৱালীৰ কণ্ঠ হওক বা চহৰৰ আধুনিকাৰ কণ্ঠই হওক, সকলো লতাৰ কণ্ঠত যেন প্ৰাণ পাই উঠে।

এইগৰাকী কণ্ঠ শিল্পীক সো শৰীৰে মাত্ৰ এবাৰেই দেখা পাইছিলোঁ। আশীৰ দশকত গুৱাহাটী ষ্টেডিয়ামত তেওঁৰ live programme চাইছিলোঁ । গেলাৰীত বহি দূৰৰ পৰাই শুনিছিলোঁ তেওঁৰ প্ৰতিটো গান। ইমান আবেগিক হৈ পৰিছিলো যে চকুলো নিগৰি আহিছিল। নিখুঁত..অবিকল..কোনো হেৰফেৰ নাই। এনে লাগিছিল যেন ৰেকৰ্ড শুনি আছোঁ। বহু বিখ্যাত কণ্ঠ শিল্পীৰ stage performance দেখিছোঁ আৰু শুনিছো। কিন্তু লতাৰ গায়ন সচা অৰ্থত অতুলনীয়!

১৯৪৯ চনৰ 'মহল' বোলছবিত আয়েগা আনেৱালা গীতটি গাই জনপ্ৰিয়তাৰ শীৰ্ষত স্থান অধিকাৰ কৰা লতা মঙ্গেশকাৰে আঠটা দশক জুৰি গীত গালে । ভাৰতৰ এনে এটা ভাষা নাই, যিটো ভাষাত লতাই নিজৰ কণ্ঠ নিগৰোৱা নাই...যি ভাষাৰে গীত নাগাৰক কিয়, সেই ভাষাৰ নিখুঁত উচ্চাৰণে গীত সমূহক অনন্য মাত্ৰা প্ৰদান কৰে। অসমীয়া ভাষাতো তেওঁ গোৱা- একক গীত 'জোনাকৰে ৰাতি অসমীৰে মাটি', 'গোদাৱৰী নৈৰে

*(পাঁচপৃষ্ঠাত চাওক)*

# ড'টাৰ অব্ দি নেশ্বন- সুৰৰ সম্ৰাজ্ঞী লতা মঙ্গেশকাৰ

**ফখৰুদ্দিন আহমেদ**

বিগত ইং ১৯৪২ চনৰ পৰা ইং ২০২২ বৰ্ষৰ ছয় ফেব্ৰুৱাৰীলৈ প্ৰায় চাৰ কুৰি বছৰীয়া স্বৰ্ণীল জীৱন পৰিক্ৰমাত সৃষ্টিকৰ্তাই প্ৰদান কৰা কণ্ঠেৰে মোহিত কৰি ৰাখি কোনোবা অজান দেশলৈ গুছি গন্তলৈগে ভাৰতবাসীৰ হৃদয়ৰ ৰাণী লতা মঙ্গেশকাৰ।অন্ত পৰিল এটি গৌৰবোজ্বল সংগীতিক যুগৰ। স্তব্ধ হৈ পৰিল গীতৰ জৰিয়তে বিশ্বক জয় কৰা ঈশ্বৰ প্ৰদত্ত গৰিমাময় এটি অবিনশ্বৰ কণ্ঠৰ।

বংশগত ভাবেই এটি সংগীতৰ গুণৰে সমৃদ্ধ পৰিয়ালত মধ্য প্ৰদেশৰ ইন্দোৰত ইং ১৯২৯ চনৰ ২৮ চেপ্টেম্বৰ তৰিখে ভাৰত ৰত্ন লতা মঙ্গেশকাৰ চমুকৈ লতা জীৰ জন্ম হৈছিল। পিতৃ দীননাথ মঙ্গেশকাৰ আৰু মাতৃ শিৱন্তী মঙ্গেশকাৰে মৰমতে নাম ৰাখিছিল হেমা। পিছলৈ পিতৃ দীননাথ মঙ্গেশকাৰে অভিনয় কৰা "ভব বন্ধন" নামৰ মাৰাঠী নাটক এখনত সন্নিবিষ্ট লতিকা নামৰ চৰিত্ৰটিৰ দ্বাৰা বাৰুকৈয়ে প্ৰভাবান্বিত হৈ মৰমৰ জী হেমাৰ নাম সলনি কৰি লতা কৰিছিল । সম্পূৰ্ণ নামটি আছিল কুমাৰী লতা দীননাথ মঙ্গেশকাৰ।

লতা জীয়ে সংগীতৰ ক্ষেত্ৰখনিত জীৱনৰ পৰিক্ৰমা আৰম্ভ কৰিছিল প্ৰায় ১২ বছৰ বয়সত এখনি মাৰাঠী চলচ্চিত্ৰৰ নেপথ্য গায়িকা হিচাপে। মাৰাঠী কথাছবি "গাজা ভাও"ত গোৱা "মাতা এক শপত কি দুনিয়া বদল দে তু " শীৰ্ষক গীতেৰে। ভাৰতীয় বলিউড জগতত লতা জীয়ে পদাৰ্পণ কৰিবলৈ মুম্বাইলৈ আহিছিল ইং ১৯৪৫ চনত। লতা জীয়ে বলিউডত প্ৰতিষ্ঠিত হ'বলৈ বাৰুকৈয়ে সংগ্ৰাম কৰিবলগা হৈছিল। কাৰণ তেখেতৰ কণ্ঠস্বৰ বহু সৰু আছিল। কিন্তু বলিউডৰ জগতত ইতিমধ্যে লতা জীৰ পথপ্ৰদৰ্শক স্বৰূপ হৈ পৰা গোলাম হাইদৰে ইং ১৯৪৮ চনত তেখেতৰ মুক্তি প্ৰাপ্ত "মজবুৰ" নামৰ কথাছবি খনত লতা জীক কণ্ঠ নিগৰাবলৈ সুবিধা দিয়া "দিল মেৰা তোৰা" শীৰ্ষক গীতটি বাৰুকৈয়ে জনপ্ৰিয় হৈ পৰিছিল। এই গীতটোৰেই আছিল বলিউড জগতত লতা জীৰ প্ৰতিষ্ঠা লাভৰ "ইউ টাৰ্ণ"। তাৰ পিছত তেখেতে সমগ্ৰ জীৱন আৰু পিছলৈ উভতি চাবলগা হোৱা নাছিল। তেখেতৰ সংগীত জগতৰ জীৱনত পাৰ হৈ যোৱা প্ৰায় চাৰি কুৰি বছৰত সংগীতেই তেখেতৰ জীৱনৰ একমাত্ৰ অবিধা হৈ পৰিছিল। ভাৰত তথা বিশ্বৰ জনতাক তেখেতে দিছিল সংগীতৰ মুৰ্ছনাৰে সংগ্ৰামময় জীৱনত জীয়াই থকাৰ সংজ্ঞা আৰু



মন্ত্ৰণা। তাৰ বিপৰীতে ভাৰত তথা বিশ্বই দিছিল তেখেতক দিছিল অকৃত্ৰিম চেনেহ, মৰম, ভালপোৱা, শ্ৰদ্ধা আৰু অনুপম স্বীকৃতি। চেনেহ, মৰম, ভালপোৱা, শ্ৰদ্ধা আৰু স্বীকৃতিৰ ফলতেই তেখেত পিছলৈ সমগ্ৰ ভাৰতবাসীৰ "দিদি" হৈ পৰিছিল। নিজৰ জীৱিত কালতেই লতা জী যিদৰে কিম্বদন্তীলৈ বিৱৰ্তিত হৈ পৰিছিল ঠিক তেনেদৰে ভাৰতীয় সংগীত জগতৰ দুগৰাকী নমস্য পুৰুষ ডঃ ভুপেন হাজৰিকা আৰু মহম্মদ ৰফীও সেইদৰে নিজৰ জীৱন কালতেই কিম্বদন্তীলৈ পৰিণত হৈ পৰিছিল। এই সুখ্যাত কণ্ঠৰ দুয়োগৰাকী সংগীত শিল্পীৰ উপৰিও অন্যান্য গায়ক-গায়িকা সকলৰ সৈতে গোৱা গীত সমূহে লতা জীক অনন্ত কাললৈ ভাৰত তথা বিশ্বৰ সংগীত জগতত অমৰ কৰি ৰাখিব।

ভাৰত তথা বিশ্বৰ সংগীত জগতত লতাজীৰ বৰঙনি আৰু তাৰ স্বীকৃতি স্বৰূপে তেখেতলৈ আগবঢ়োৱা ৰাষ্ট্ৰীয় আৰু আন্তঃ ৰাষ্ট্ৰীয় পুৰস্কাৰৰ তালিকা খনো দীঘলীয়া। সেইবোৰ তলত উল্লেখ কৰা হ'ল-

১)পদ্মভূষণ বটাঁ- ইং ১৯৬৯ চন
২)দাদা চাহেব ফাল্কে বটাঁ-ইং ১৯৮৯ চন
৩)মহাৰাষ্ট্ৰ ভুষণ বটাঁ-ইং ১৯৯৭ চন
৪)এন টি আৰ জাতীয় বটাঁ- ইং ১৯৯৯ চন
৫)পদ্মবিভুষণ বটাঁ-ইং ১৯৯৯ চন
৬)ভাৰত ৰত্ন বটাঁ-ইং ২০০১ চন
৭) ফিল্ম ফেয়াৰ আজীৱন সন্মান পুৰস্কাৰ
৮) ফ্ৰান্স চৰকাৰৰ সৰ্বোচ্চ অসামৰিক "লেজিঅ' ডোনাৰ অসামৰিক বিষয়া "সন্মান প্ৰদান- ইং ২০০৭ চন
৯) প্ৰথম ভাৰতীয় সংগীত শিল্পী হিচাপে ৰয়েল এলবাৰ্ট হ'লত সংগীত পৰিবেশন- ইং ১৯৭৪ চন
১০) ড'টাৰ অব্ নেশ্বন পুৰস্কাৰ, ভাৰত চৰকাৰ- ইং ২০১৯
১১) ৩টা দেশীয় চলচ্চিত্ৰ পুৰস্কাৰ
১২) ১৫ টা বাংলা চলচ্চিত্ৰ সাংবাদিক সমিতি পুৰস্কাৰ
১৩) ৪ টা শ্ৰেষ্ঠ নাৰী নেপথ্য কণ্ঠ শিল্পী পুৰস্কাৰ
১৪)২টি বিশেষ ফিল্ম ফেয়াৰ পুৰস্কাৰ

স্মৰ্তব্য যে লতাজীৰ শৈশৱ কালত দেউতাক দীননাথ মঙ্গেশকাৰে লতাজীক কেৱল কে এল্ চাইগলৰ সৈতেহে গীত গোৱাৰ অনুমতি দিছিল।

কোকিলকণ্ঠী গায়িকা লতাজীয়ে সংগীত শিল্পী হিচাপে তেখেতৰ গৰিমাময় পৰিক্ৰমাত দহ সহস্ৰাধিক ভাৰতীয় কথাছবিত গীত গাইছে। ইয়াৰ উপৰিও ৩৬ টি ভাৰতীয় আঞ্চলিক ভাষা আৰু কিছু বিদেশী ভাষাটো লতা জীয়ে কণ্ঠ নিগৰাইছিল। "টাইম পত্ৰিকা" ই লতাজীক ভাৰতীয় কথাছবিৰ নেপথ্য সংগীতৰ "একছত্ৰী সম্ৰাজ্ঞী " আখ্যা দিছিল লগতে

*(পাঁচপৃষ্ঠাত চাওক)*

# ‘অসমৰ জোনাক’ চাবলৈ নাহে আৰু অমৰ শিল্পীগৰাকী !

**অঞ্জু শাণ্ডিল্য**

১৯৫৬ চনত মুক্তি লাভ কৰা ‘এৰাবাটৰ সুৰ’ত ‘জোনাকৰে ৰাতি..’ শীৰ্ষক গীতটো হেনো ভূপেনদাই এগৰাকী নাৰীৰ কথা ভাবিয়েই লিখিছিল। সেই নাৰী তেতিয়া ‘প্ৰভুকুঞ্জ ’ নামেৰে প্ৰখ্যাত আবাসগৃহত। সাধাৰণ সাজপাৰ পৰিধান কৰা এই নাৰীগৰাকী কিন্তু এক অসাধাৰণ কণ্ঠৰ অধিকাৰিণী। ভূপেনদাতকৈ মাত্ৰ দুবছৰৰ সৰু। ‘প্ৰভুকুঞ্জ ‘তে সাক্ষাৎ ঘটিছিল ভূপেনদাৰ সৈতে, ভূপেনদাক তেওঁ লৈ গৈছিল শোৱনি কোঠালৈ। কোঠাটোত আছিল মন্দিৰৰ দৰে এক স্নিগ্ধ, পবিত্ৰ পৰিবেশ। বেৰত বীৰ শিৱাজী আৰু সংগীতজ্ঞ পিতৃৰ ছবি। বিছনাত বহি হাৰমনিয়ামৰ ৰিডত আঙুলি বুলাই ভূপেনদাই বুজাই দিছিল গীতটোৰ কথা। অসমৰ সুজলা সুফলা ৰূপৰ কথা চাহ বাগিচাৰ ছোৱালী এজনীৰ কণ্ঠৰে নিগৰি অহাৰ কথা। গীতটোৰ কথা শুনি নাৰীগৰাকীয়ে কৈছিল- ইমান ধুনীয়া গানৰ কথা ! সুৰটো কেনেকুৱা হ’ব?’ ভূপেনদাই গাই



শুনাইছিল ‘জোনাকৰে ৰাতি অসমীৰে মাটি...’

নাৰীগৰাকীয়ে যেন চকু মুদি দেখিছে অসমৰ মাটি, গাঁৱৰ মাজেৰে বৈ যোৱা নৈ, বতাহত লৰা আগলতি কলাপাত, জোনাক গলা নিশা। অচিনাকি অসমৰ গাঁও, নৈ, গছ-বন যেন চিনাকি হৈ পৰিছে। গানটো শেষ হ’লত হাৰমনিয়াম নাৰীগৰাকীলৈ আগবঢ়াই দিলে। হাৰমনিয়াম বজাই গাই গ’ল ভূপেনদাৰ সুৰতে ‘জোনাকৰে ৰাতি..’।

ভূপেনদা অবাক হৈ পৰিল অনা-অসমীয়া এক নাৰীৰ কণ্ঠত অসমীয়া ভাষাৰ গীত শুনি আৰু অসমীয়া ভাষাৰ এই গীত সৰ্বভাৰতীয় প্ৰেক্ষাপটত উজলি উঠিল। ‘জোনাকৰে ৰাতি..’ গীতটোৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰে-যুগান্তৰ, দেশ, আনন্দবাজাৰ পত্ৰিকা, হিন্দুস্তান ষ্টেণ্ডাৰ্ড আদি। হিয়াৰ সমস্ত আবেগেৰে যিগৰাকী নাৰীয়ে এই গীত গালে, সেইগৰাকী নাৰী আন কোনো নহয়, কোকিলকণ্ঠী গায়িকা লতা মংগেশকাৰ। এদিনৰ চিনাকিতে দুয়ো বহু দিনৰ চিনাকি যেন হৈ পৰে। ঘনিষ্ঠ সম্বন্ধ গঢ় লৈ উঠে। দুয়ো দুয়োৰে কাষ -চাপি আহে। এদিন কথা প্ৰসংগত ভূপেনদাক কৈছিল- ‘গীতটো গাওঁতে মই

*( পাঁচ পৃষ্ঠাত চাওক)*

# “মেলডী কুইন” লতা মঙ্গেশকাৰ

**হিমাদ্ৰী বৰকটকী,নগাঁও**



লতা মঙ্গেশকাৰ যাৰ কণ্ঠই যাদু । সুৰ সম্ৰাজ্ঞী লতা মঙ্গেশকাৰৰ জন্ম হৈছিল ১৯২৯ চনৰ ২৮ ছেপ্টেম্বৰত মধ্যপ্ৰদেশৰ ইন্দোৰ চহৰত। তেওঁৰ পিতৃৰ নাম আছিল পণ্ডিত দীননাথ মঙ্গেশকাৰ। তেখেত এগৰাকী মাৰাঠী সঙ্গীতজ্ঞ আৰু মঞ্চাভিনেতা আছিল। লতা মঙ্গেশকাৰৰ মাকৰ নাম আছিল শেৱান্তি মঙ্গেশকাৰ । লতা মঙ্গেশকাৰ ১৩ বছৰ হওঁতেই দেউতাকৰ মৃত্যু হৈছিল। লতা মঙ্গেশকাৰৰ তিনিগৰাকী ভনীয়েক আৰু এজন ভায়েক আছিল । দেউতাকৰ মৃত্যুৰ পিছত মাক আৰু ভনীয়েক, ভায়েক তথা ঘৰৰ সমস্ত দায়িত্ব লতা মঙ্গেশকাৰ ওপৰত পৰিল। তেতিয়াৰ পৰা তেওঁ গান গাবলৈ আৰম্ভ কৰিলে । তেওঁ কণ্ঠকেই তেওঁৰ পেচা হিচাবে লৈ বহুত কষ্ট কৰি উপাৰ্জনেৰে ঘৰখন চলাইছিল। সঁচাই তেওঁৰ কণ্ঠত যাদু আছিল। লতা মঙ্গেশকাৰে পিছত বোলছবিত গান গাবলৈ সুবিধা পালে আৰু পিছলৈ তেওঁ বহুত ভাল ভাল হিন্দী বোলছবিত গান গায় ।অসমীয়া বোলছবিতো ভূপেন হাজৰিকাৰ লগত তেওঁ গান গাইছিল। লতা মঙ্গেশকাৰৰ ভনীয়েক আশা ভোঁসলে, ঊষা মঙ্গেশকাৰ, মীনা গাড়িকাৰ আৰু ভায়েক হৃদয়নাথ মঙ্গেশকাৰো প্ৰখ্যাত গায়ক গায়িকা।

লতা মঙ্গেশকাৰক “Queen of melody” বুলি কোৱা হয়। যাৰ মাতৰ তুলনা নাই এই পৃথিৱীত। যি গৰাকী সংগীতৰ ৰাণীয়ে আমাক দি থৈ গৈছে সহস্ৰ সুৰিয়া গান। লতা মঙ্গেশকাৰে ৩৬ টা ভাৰতীয় ভাষাত কণ্ঠদান কৰিছিল, প্ৰায় ২৫ হাজাৰ গানত। তেওঁ ১, ০০০ খনৰো অধিক চলচ্চিত্ৰৰ গীতত কণ্ঠদান কৰিছিল। “এ মেৰে ৱতন কে লোগোঁ ” লতা মঙ্গেশকাৰে গোৱা এটা চিৰস্মৰণীয় দেশপ্ৰেমমূলক গীত।

লতা মঙ্গেশককাৰক ভাৰতৰ সৰ্বোচ্চ সন্মান ভাৰতৰত্ন, পদ্মভূষণ, পদ্মবিভূষণ, দাদা চাহেব ফাল্কে বঁটা, ৰাজীৱ গান্ধী বঁটাৰে সন্মানিত কৰা হৈছিল। ইয়াৰ উপৰিও তেওঁ বহুটো সন্মানেৰে বিভূষিত হৈছিল। শেহতীয়াকৈ তেওঁ কভিডৰ সংক্ৰমণ ধৰা পৰাত ৮ জানুৱাৰীত তেওঁক হস্পিটেলত

*( পাঁচ পৃষ্ঠাত চাওক)*

# সৰু সৰু কিছু কথা

**শ্ৰী অভিজিত শেনচোৱা, শিৱসাগৰ**




সকলো জ্ঞান উপদেশ কিতাপত পোৱা নাযাই। কিছুমান জ্ঞান, বিবেক সময়ৰ লগে লগে সৃষ্টি হয় মানুহৰ মন মগজুত। কিন্তু তাৰ মাজতো কিছুমান উচ্চ শিক্ষিত থাকে যাৰ মগজুত হয়তো এনে সৰু সৰু কথা শিকিব বা অনুধাৱন কৰিব পৰা ক্ষমতা নাথাকে বা সৃষ্টি নহয়। হোষ্টেলৰ প্ৰতিসাঁজৰ বজাৰ প্ৰত্যেকদিনে কৰা হয়। পাল পাতি বজাৰ কৰোঁ দৈনিক বজাৰত। এদিন বজাৰ কৰিব আহোঁতে লগ পাওঁ ওচৰৰে এজন চিনাকি ভদ্ৰলোকৰ সৈতে। দুয়োৱে বজাৰ কৰা আৰম্ভ কৰোঁ।বজাৰ কৰি কৰি গৈ থাকোঁতে প্ৰত্যেক বিক্ৰেতাই গ্ৰাহকক আকৰ্ষণ কৰাৰ দৰে এজন আদহীয়া বিক্ৰেতাই আমাক সোধে ‘কিবা লাগিব নিকী?। তেওঁ বিক্ৰী কৰিবলৈ অহা নেমুটেঙা আৰু শাক ইমান এটা সতেজ হৈ থকা নাছিল। তাকে দেখি মই হাঁহিমুখে উত্তৰ দিলোঁ ‘নালাগে দিয়ক, আমাৰ বজাৰ কৰা হলেই’। ততমুহূৰ্তে মোৰ চিনাকি ভদ্ৰলোকজনে বিক্ৰেতাজনক উদ্দেশ্যি কলে ‘তোৰ এইবোৰ কোনে কিনিব !পেলাই নিদিয় কিয় ?’কথাষাৰ শুনি বিক্ৰেতাজনে একো মন্তব্য নকৰিলে যদিও তেওঁৰ মুখ দেখি বুজা গল হয়তো তেওঁ কথাষাৰত কিছু আঘাত পাইছে। নাপাব বা কিয় ? ঘৰৰ টেঙা আৰু বাৰীৰ শাককেইডাল বেছি ঘৰলৈ আন প্ৰয়োজনীয় বস্তু নিম বুলি আশা কৰি হয়তো তেওঁ বজাৰলৈ আহিছে। তাতে এনেকুৱা মন্তব্য। তুমি কিনিব নিবিচাৰিলে নালাগে বুলি কলেও কথা শেষ। তেওঁতো জোৰ-জবৰদস্তি তোমাক বিক্ৰী কৰিবলৈ ওলোৱা নাই । মোৰ বন্ধুজনৰ এই ব্যৱহাৰত মই মুঠেও সন্তুষ্ট নহলো। তেওঁ নিজৰ উচ্চ পদ, উচ্চ শিক্ষা নে আন বেলেগ অহংকাৰৰ আঁৰত এনেদৰে কলে সেয়াহে মই নুবুজিলো। ঠিক সেইদৰে অন্য এদিন এজন বন্ধুৰ নিমন্ত্ৰণত আমি ৪জন বন্ধু দুপৰীয়াৰ অহাৰ খাবলৈ ওলালোঁ। অহাৰ খাই থকাৰ মাজতে নিমন্ত্ৰণ ৰক্ষা কৰিব অহা এজনে ঘপকৈ কৈ উঠিল ‘এইটো কি ভাজি বনাইছে ঔ, একেবাৰে বেয়া’। কথাষাৰ শুনি মই নিজে লাজতে তলমুৰ কৰিলো। আৰে !

*( পাঁচ পৃষ্ঠাত চাওক)*

# নিঝৰিণী

**ৰাজলক্ষ্মী বৰঠাকুৰ,গোলাঘাট**



জিৰিজিৰি বৈ যায় নিঝৰিণী
পৰ্বতৰ পাহাৰ বাগৰি ভৈয়ামলৈ বুলি,
মৰম, ভালপোৱা, সুখ -দুখ
সকলোবোৰ বুকুত সাবটি
বৈ যাই নিঝৰিণী নিৰবধি।
আৰু তাইৰ বুকুৰ সেউজীয়াখিনিত
জিপাল হৈ উঠে সৃষ্টিৰ কঠিয়াতলি।
সত্য সুন্দৰৰ সাধনাৰে
সদায়ে সজীৱ হৈ থাকক
নিঝৰিণীৰ বুকুৰ সেউজীয়াখিনি।

৩০ মাঘ, ১৪২৭ চন Rongili Barta, Date of Publication-- 13 February, 2022

# সুৰ সম্ৰাজ্ঞী লতা মঙ্গেশকাৰলৈ

পাৰৰে পৰা' আৰু ড° ভূপেন হাজৰিকাৰ লগত গোৱা দ্বৈত কণ্ঠৰ গীত, 'দুয়ো মুখা মুখি অতি সুখে সুখী' আদি গীত সমূহ অবিস্মৰণীয়। বিশেষকৈ ভূপেনদাৰ সুৰত গোৱা জোনাকৰে ৰাতি অসমীৰে মাটি গীতটো অসমৰ মাটিৰ সুবাস আৰু সুৰৰ ৰসত মিহলি হৈ ইমান জীৱন্ত হৈ পৰিল যে অসমৰ সঙ্গীত জগতৰ এক কীৰ্তিস্তম্ভ হৈ চিৰ যুগমীয়া হৈ ৰ'ল..

কোৱা হয় গছ এজোপাত যিমানেই ফল লাগে সি সিমানেই তললৈ দো খাই পৰে। লতা মঙ্গেশকাৰ যেন তাৰেই জল জীয়ান্ত প্ৰতীক। যি আজীৱন নিৰলস ভাবে সঙ্গীত সাধনা কৰিলে..সদা শুভ্ৰবসনা এই গৰাকী কিংবদন্তী স্বৰূপ সঙ্গীত শিল্পী যেন নম্ৰতা আৰু বিনয়ৰ প্ৰতিমূৰ্তি! কোনো দিন ৰেকৰ্ডিং কক্ষত চেন্দেল পিন্ধি প্ৰৱেশ নকৰা এই গৰাকী শিল্পীয়ে আজীৱন ভাৰতীয় সংস্কৃতিৰ গৰিমা অক্ষুণ্ণ ৰাখিলে।

যিকোনো ক্ষেত্ৰতে শীৰ্ষ স্থান দখল কৰা যিমান কঠিন, তাতকৈও কঠিন সেই স্থানত চিৰ যুগমীয়া হৈ ৰৈ যোৱা। লতাৰ কণ্ঠ যেন ৰজা মিডাচৰ দৰে। স্পৰ্শ কৰা মাত্ৰকে সকলো সোণ হৈ পৰে। বহুতো ৰাষ্ট্ৰীয় বঁটা - পদ্মভূষণ, পদ্মবিভূষণ, দাদা চাহেব ফাল্কে, দেশৰ সৰ্বশ্ৰেষ্ঠ বঁটা - ভাৰত ৰত্ন লাভ কৰা লতা মঙ্গেশকাৰ প্ৰকৃত অৰ্থতে ভাৰতৰ ৰত্ন! এনে লাগে যেন লতাৰ হাতৰ স্পৰ্শত এই সন্মান নিজেই সন্মানিত হৈছে।

সঙ্গীত - এক স্বৰ্গীয় অনুভূতি .. যাক কেৱল হৃদয়েৰেহে অনুভৱ কৰিব পৰা যায়। শিশু অৱস্থাৰ পৰাই লতাৰ কণ্ঠৰ গীত শুনি শুনি তেওঁৰ অনুৰাগী হৈ পৰিলোঁ। তেওঁৰ গীত তন্ময় হৈ বাৰে বাৰে শুনিলোঁ আৰু বাৰে বাৰে মুগ্ধ হলোঁ । তেওঁক অনুসৰণ কৰিলোঁ, অনুকৰণো কৰিলোঁ । জীৱনৰ এই ক্ষণত আহি এগৰাকী সাধাৰণ কণ্ঠ শিল্পী হিচাপে আজি উপলব্ধি কৰিছো তেওঁৰ দৰে এগৰাকী সঙ্গীত শিল্পীৰ গীত শুনিব পোৱাটোৱেই মোৰ বাবে পৰম সৌভাগ্য। মোৰ দেউতা(যিজন এতিয়া এই পৃথিৱীত নাই), মোৰ মা যি, আশীৰ দেওনা পাৰ কৰিছে, যি সকলৰ বাবে মই এইগৰাকী সংগীত শিল্পীক সৰুৰে পৰা শুনিবলৈ সুবিধা পালোঁ, তেওঁলোকৰ প্ৰতিও মই চিৰ কৃতজ্ঞ।

সৰস্বতী দেৱীৰ বিসৰ্জনৰ দিনাই তেওঁৰ জীৱনাবসান এক দৈবিক যোগসূত্ৰ যেন অনুভৱ কৰিছোঁ। মানুহৰ মৃত্যু এক স্বাভাবিক প্ৰক্ৰিয়া। লতা মঙ্গেশকাৰৰ মৃত্যু হ'ল সচা, কিন্তু তেওঁৰ সোণালী কণ্ঠৰ যাদুৱে যুগ যুগ ধৰি সমগ্ৰ দেশবাসীক মুগ্ধ কৰি ৰাখিব । ভাৰতীয় সঙ্গীত জগতত তেওঁৰ নাম সোণালী আখৰেৰে লিখা হৈ ৰব.. এই গৰাকী সঙ্গীত শিল্পীৰ মহা প্ৰয়াণত আজি মোৰ অশ্ৰু অঞ্জলি যাচিলোঁ...

# পেইন্টাৰ

**পুলিন ডেকা**



অৰিন্দমে বাৰে বাৰে চাইছে দেৱালখনলৈ। অস্থিৰ-বিপন্ন তাৰ মন। কালি নিশা এজাক প্ৰচণ্ড ধুমুহা -বতাহ। সি পুৱাই গৈ দেখে চিদানন্দ মাষ্টৰৰ শতায়ুগৰাকী গছজোপা উভালি পৰিছে। মূল পথটোৰ ওপৰতেই। পথটোৰ প্ৰায় সম্পূৰ্ণ অংশই আৱৰি ধৰিছে গছ ডালৰ ঠাল-ঠেঙুলিবোৰে।

স্তব্ধ হৈ পৰিছে যাতায়ত। সমবেত লোকসকলক সচেতন কৰিবলৈ দুখন মান বাইকে তীব্ৰ হৰ্ণ বজাই অতিক্ৰম কৰিছে পথছোৱা। প্ৰাতঃ ভ্ৰমণ কৰা লোকসকলে এবাৰ গছজোপাৰ কাষত থিয় হৈছে।

'এটা যুগৰ অৱসান ঘটিল, সৰুৰে পৰা গছ ডালৰ এটা ডালো ভগা দেখা নাছিলো। চিদানন্দ মাষ্টৰৰ ককাকে ৰোৱা গছডাল আজি বটবৃক্ষত পৰিণত হৈছিল। মাষ্টৰে বোধহয় গমকে পোৱা নাই ........'এনে অসংখ্য মন্তব্য আহিছে তাত থুপ খোৱা মানুহকেইজনৰ পৰা।

দীঘল হাতৰ ছুৱেটাৰ,পায়াজামা পৰিধান কৰি এচুকত ৰৈ থকা অৰিন্দমলৈ কোনেও লক্ষ্য কৰা নাই। সি বেৰখনৰ কাষতে থিয় হৈ লক্ষ্য কৰিছে ভগ্ন দেৱালখনৰ কিমান অংশ অক্ষত অৱস্থাত ৰ'ল। সেউজ পাতবোৰৰ মাজত বেৰখনৰ ৰঙ অস্পষ্ট হৈ পৰিছে। সি এডাল ডাল ওপৰলৈ উঠাই দি আপ্ৰাণ চেষ্টা কৰিছে বেৰখন নিৰীক্ষণ কৰিবলৈ।

হঠাৎ সি দেখিলে বেৰখনত কেবাটাও প্ৰচণ্ড ফাঁক। ৰঙবোৰ এৰি গৈছে। অংকিত চিত্ৰবোৰ মচ খাই গৈছে।

হাতত এডাল লাখুটি লৈ চিদানন্দ মাষ্টৰ এখোজ দুখোজকৈ আগবাঢ়ি আহিছে। মূৰত কাণ দুখন আবৃত্ত হৈ থকা এটা টুপী। শীৰ্ণকায় মানুহজনৰ চচমাযোৰ জিলিকি উঠিছে। আশীৰ উৰ্দ্ধৰ চিদানন্দ মাষ্টৰে এবাৰ গছডালৰ গুৰিলৈ যোৱাৰ প্ৰয়াস চলালে। শিপাৰ সৈতে মাটি ওপৰলৈ উঠি আহিছে। পাহাৰ সদৃশ পৰিৱেশ। চচমাযোৰ খুলি যিমানখিনিলৈকে পাৰে চিদানন্দ আগুৱাই গৈছে। এটা পৰ্যায়ত মানুহজন থমকি ৰ'ল।

গছডালৰ ছিন্ন ভিন্ন টুকুৰাবোৰ দূৰলৈ চিটিকি পৰিছে। গছডালে তাৰ বিশাল সাম্ৰাজ্যৰ অৱসান যেন শক্তিশালীভাবে প্ৰতিপন্ন কৰি গ'ল। মাষ্টৰে দেখে গছডালৰ মূল অংশই যেন নহয় তাৰ শিপাবোৰে বৃদ্ধত্বৰ ছবি এখন দেখুৱাইছে। যিমান খিনিলৈকে শিপাবোৰে উভালি পৰিছে, সিমানদূৰলৈ এটা প্ৰকাণ্ড গাঁতৰ সৃষ্টি হৈছে। নিশাৰ বৰষুণজাকে বুৰাই পেলাইছে গাঁতটো।

চিদানন্দ মাষ্টৰে গেটখন খুলি বাহিৰলৈ ওলাই আহিল। নিশা চহৰখনৰ ভিন্ন প্ৰান্তত ধ্বংসলীলা চলাই বতাহজাকে ইতিমধ্যে মেলানি মাগিছে। ছিন্ন ভিন্ন হৈ ইলেকট্ৰিচিটিৰ খুঁটা, তাঁৰবোৰ পৰি আছে। নিশাৰে পৰা অন্ধকাৰচ্ছন্ন মহানগৰী।

গেটৰ সন্মুখতে অৰুণে মাষ্টাৰক জনাই দিলে—' পুৱাৰে পৰা সি যিমানখিনি ঠাই ঘুৰিছে, কেৱল বিধ্বস্ত ৰূপ দেখিছে। মিউনিচিপালিটিৰ মানুহ, ইলেকট্ৰিচিটি ব'ৰ্ডৰ মানুহ কামত লাগি গৈছে। এইখিনি ঠিক কৰালৈকে যে গোটেই দিনটো লাগিব, সেয়া নিশ্চিত।'

' মোৰ গছডাল ভাঙি পথটো যে পথ অৱৰুদ্ধ কৰি পেলাইছে, খৱৰটো দিলি নে নাই?'— মাষ্টৰে গুৰু গম্ভীৰ কণ্ঠৰে ক'লে।

' মোৰ এলেকাটোৰ ক্ষয়-ক্ষয়িতৰ সম্পৰ্কত ইতিমধ্যে জনাই দিয়া হৈছে।' বুলি কৈয়ে অৰুণ আঁতৰি যায়।

ৱাৰ্ড কাউন্সিলাৰ হিচাপে অৰুণ চিৰিয়াছ। থুলন্তৰ চেহেৰাৰ অৰুণে প্ৰাত্যহিক খোজ কাঢ়ি পুৱাই এলেকাটোৰ খা-খবৰ ল'য়। মানুহৰ সমস্যাৰ মাজত থাকি সমাধানৰ স্বপ্ন দেখে। যোৱা চাৰিটা কাৰ্যকাল এজন নিৰ্দলীয়

(ছয়পৃষ্ঠাত চাওক)

# ড'টাৰ অব্ দি নেশ্বন

তেখেতক "নাইটিংগেল অব্ ইণ্ডিয়া " বুলিও অভিহিত কৰা হৈছিল।

বহু সহস্ৰাধিক গীত গোৱা লতা জীৰ কণ্ঠৰ "য়ে মেৰে ৱতন কি লোগো" শীৰ্ষক গীতটিৰ লগতে জনপ্ৰীয় আনবোৰ গীতেও লতাজীক ভাৰত তথা বিশ্ববাসীৰ হৃদয়ত জীয়াই ৰাখিব।

"জোনাকৰে ৰাতি, অসমীৰে মাটি, জিলিকি জিলিকি পৰে" আৰু "অকাশ, অ আকাশ, এমুঠি জোনাক দিয়া" শীৰ্ষক জনপ্ৰিয় অসমীয়া গীতৰ কোকিলকণ্ঠী গায়িকা লতাজীৰ পৰলোক গমনত ভাৰতৰ সংগীত জগতত হোৱা অপূৰণীয় ক্ষতি কেতিয়াবা গৈ পূৰণ হ'ব নে? নিশ্চয়কৈ নহয়। লতাজী, কেৱল লতাজীহে হৈ থাকিব।

# 'অসমৰ জোনাক' চাবলৈ

নিজকে এজনী অসমীয়া ছোৱালী বুলি ভাবি লোৱা কাৰণেই চাগে' ইমান ভাল হ'ল। অসমৰ জোনাক চাবলৈ বৰ মন গৈছে, কামাখ্যা মাকো। লৈ বলকনা মোক অসমলৈ।' অসমলৈ আহিছিল। কিন্তু জোনাক চাবলৈ পালে নে নাই জনা নগ'ল। আৰু কোনোদিনে অসমৰ জোনাক চাবলৈ নাহে। প্ৰতি দেওবাৰে ব্ৰত ৰখা লতা মংগেশকাৰে দেওবাৰৰ দিনটোতে পুৱাই সকলোকে কন্দুৱাই গুচি গ'ল। মহাৰাষ্ট্ৰৰ লগতো অসমৰ মিল দেখিছিল।

সংগীতজ্ঞ -অভিনেতা দীননাথ মংগেশকাৰ আৰু শিৱন্তীৰ কন্যাৰ নাম আছিল হেমা। পিতৃয়ে 'ভাও বন্ধন' নাটক এখনত কাম কৰোতে, নাটকখনৰ লতিকা নামৰ নাৰী চৰিত্ৰই আকৰ্ষণ কৰাত হেমাৰ নাম হয়গৈ লতা। লতাৰ তেৰ বছৰতে পিতৃ বিয়োগ ঘটে। পিতৃৰ জীৱিত অৱস্থাত মাৰাঠী ছবি 'কিট্ৰী হাছাল'ৰ জীৱনৰ প্ৰথমটো গীত ৰেকৰ্ডিং কৰে; কিন্তু পিতৃয়ে বিৰোধ কৰাত গীতটো ছবিৰ পৰা আঁতৰাই দিয়া হয়। অথচ পিতৃৰ মৃত্যুৰ অষ্টম দিনতেই পেটৰ তাড়নাত ছবিত গীত গাব লগা আৰু অভিনয়ো কৰিব লগাত পৰে। তাৰ পাচৰ পৰা কিমান গীত গালে হিচাপ নাই। আৰু খ্যাতিৰ উচ্চ শিখৰত আৰোহণ কৰোতেই ভূপেনদাৰ সান্নিধ্য লাভ কৰে 'জোনাকৰে ৰাতি..' গীতৰ জৰিয়তে। যিটো গীতৰ বিষয়ে 'টাইমছ অব্ ইণ্ডিয়াই লিখিছিল- 'এলং ইণ্ডিয়া উইথ লতা।' এসময়ত শুকান ৰুটী কেঁচা জলকীয়া আৰু নিমথেৰে খাব লগা শিল্পীগৰাকীয়ে চাইকেল চলাই চলাই ষ্টুডিঅ'ৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিছিল। আনকি আকাশবাণীৰ কণ্ঠ পৰীক্ষাতো প্ৰথমে উত্তীৰ্ণ হ'ব পৰা নাছিল। আৰু কম বয়সতে গান গায়েই চহকী হৈ পৰে। চহকী হৈ কিন্তু দুখীয়া মানুহৰ কথা পাহৰি নগ'ল। দেৱালীৰ দিনা দুখীয়া-নিছলাক দান-দক্ষিণা কৰিছিল। ঘৰৰ বনকৰা মানুহ, ড্ৰাইভাৰ চকীদাৰ আদিকো। এবাৰ 'প্ৰভুকুঞ্জ'ত দেৱালীৰ দিনা ভূপেনদাক কৈছিল- 'মই দুখীয়াৰ দুখ বুজি পাওঁ। ধন-সোণেৰে মই নিজকে সজাই সুখ পোৱা নাই । মোৰ ধন-সোণেৰে আনে সুখ পালে-হাঁহিলে মই তাতেই শান্তি পাওঁ ভূপেনদা। কাৰণ ময়ো এদিন দুখীয়া আছিলো। শ্যামবৰণীয়া মুখখনত আয়ত চকুযুৰিৰে ভূপেনদাই শিল্পীগৰাকীক ধুনীয়া দেখিছিল। ভূপেনদাই কৈছিল-কোনোবাই চকু মুদি লতা মংগেশকাৰৰ গান শুনিলে লতাকেই বিশ্বসুন্দৰী বুলি ভাবিব। এইগৰাকী মহানশিল্পীলৈ অশ্ৰুভৰা শ্ৰদ্ধাঞ্জলিৰে-

# "মেলডী কুইন"

ভৰ্তি কৰোৱা হৈছিল আৰু লগতে তেওঁৰ নিউম'নিয়া ও হৈছিল । অৱশেষত লতা মঙ্গেশকাৰে নিয়তিৰ ওচৰত হাৰ মানিলে। ৬/২/২০২২ তাৰিখে পুৱা ৮ -১২ বজাত তেখেতে শেষ নিশ্বাস ত্যাগ কৰি আমাৰ মাজৰ পৰা স্বৰ্গ ধামলৈ গতি কৰিলে । মৃত্যুৰ সময়ত লতা মঙ্গেশকাৰৰ বয়স হৈছিল ৯২ বছৰ। লগে লগে সংগীত জগতৰ এক সোনালী অধ্যায়ৰ অৱসান ঘটিল। ভাৰতৰ জনগণৰ কাৰণে এক অপূৰণীয় ক্ষতি হয় ৰ'ল, ভাৰতৰ "নাইটিংগেল" খ্যাত সংগীত জগতৰ কিংবদন্তি গৰাকী। ওঁম শান্তি

# সৰু সৰু কিছু কথা

তুমি পইচা দি কোনো হোটেল ৰেষ্টুৰেণ্টত খাই থকা নাই নহয় যে তুমি অভিযোগ দিবা। বন্ধুৱে তোমাক মৰমত এসাঁজ খাবলৈ মাতিছে । তুমি খাই ভাল নাপালে বাদ দিয়া। সেয়াহে সৌজন্যতা। তাতে তুমি এনেকুৱা মন্তব্য দি অহাৰ বনোৱাজন আৰু তেওঁৰ ঘৰখনৰ মন ভঙাৰ অধিকাৰ তোমাৰ নাই। সেয়া তোমাৰ হে আভদ্ৰতাৰ আচৰণ। এনেদৰেই অধিক আশা, আগ্ৰহেৰে পতা বিয়া, সকামৰ ভোজ খাই আহিও বহুতে মন্তব্য কৰে যিটো একেবাৰে অভদ্ৰতাৰ প্ৰতীক। এনেবোৰ জ্ঞান কোনো কিতাপ পত্ৰত নাই। এইবিলাক আমি নিজে শিকিব লাগিব। ডিগ্ৰী, মাষ্টাৰ্ছত পঢ়াখিনিয়ে যথেষ্ট ভাবি অহংকাৰ কৰি কি লাভ যদি আপুনি সামান্য ভদ্ৰতাখিনিও নাজানে।

৩০ মাঘ, ১৪২৭ চন Rongili Barta, Date of Publication-- 13 February, 2022

# পেইন্টাৰ

প্ৰাৰ্থী হিচাপে মানুহৰ মন জয় কৰি আহিছে।

চিদানন্দ মাষ্টৰে এইবাৰ মূল পথটোৰ মাজত থিয় হ'ল। কেবাখনো গাড়ীয়ে পথটো অতিক্ৰম কৰিব নোৱাৰি উভতনি যাত্ৰা আৰম্ভ কৰিছে। মাষ্টৰে নিৰ্বিঘ্ন দৃষ্টিৰে চাই ৰ'ল।

হঠাৎ অৰিন্দমক দেখি মাষ্টৰে চিঞৰি উঠে—' তই কি কৰিছ অ'?'

মাষ্টৰৰ মাত শুনি অৰিন্দম সন্ত্ৰস্ত হৈ পৰে। ইমান সময়ে আপ্ৰাণ চেষ্টা কৰিছে বেৰখনৰ কিমান অংশ এই ভয়ংকৰ ক্ষতিৰ পৰা ৰক্ষা পৰিছে। পাত, ডালেৰে আবৃত্ত হৈ পৰা বেৰখনত সি মাথো দেখা পাইছে কেইটামান বৃহৎ ফাঁক, মচ খোৱা চিত্ৰসমূহৰ ক্ষয়িষ্ণু ৰূপ। বাৰম্বাৰ কঁপি উঠে তাৰ সেই হাতখন।

সামান্য আঁতৰি আহি মাষ্টৰৰ সন্মুখত থিয় হ'ল অৰিন্দম। মাষ্টৰৰ চিন্তাক্লিষ্ট মুখখনলৈ চাই ক'লে—' এটা দিনো নাথাকিল। যোৱা এসপ্তাহে কৰা সকলো কষ্টই ব্যৰ্থ হৈ গ'ল। কালি নিশা বাৰ বজাত কাম সম্পূৰ্ণ কৰিছিলোঁ। ভাবিছিলো প্ৰকৃতিৰ প্ৰতি মানুহৰ নিৰ্মমতাৰ সাক্ষী হৈ ৰ'ব এই পেইন্টিং। অন্ততঃ মানুহে বুজি উঠিব প্ৰকৃতিৰ সৈতে কেনেকৈ সহাৱস্থান কৰিব লাগে।'

' বুজিছা অৰিন্দম। জীৱনকালত প্ৰকৃতিৰ এই বৃহৎ পৰিৱৰ্তনৰ সাক্ষী হৈ ৰলো। পুহ মাহত ঠাণ্ডা নহ'ল। ভবিছিলো এইবাৰ ঠাণ্ডা নহ'বই। মাঘমাহৰ মাজ ভাগৰ পৰা অহা প্ৰচণ্ড শীত প্ৰৱাহে জনাই দিছে মানুহ হয়তো অনন্তকাল প্ৰকৃতিৰ বিৰুদ্ধে যুঁজ দি যাব নোৱাৰিব। পৰাজয়ৰ অন্যতম সাক্ষী আৱতৰীয় বতাহ, ৰবযুণ, ধুমুহা, ঠাণ্ডা।'

মাষ্টৰে লাহে লাহে আগুৱাই গৈছে মূল পথটোৰে। ইতিমধ্যে প্ৰত্যেকটো পৰিয়ালে ঘৰৰ সন্মুখত থিয় হৈছে কালি নিশাৰ ধুমুহাত হোৱা ক্ষয়-ক্ষতিৰ পৰিণাম অনুধাৱন কৰিবলৈ।

কিন্তু অৰিন্দম আঁতৰি যোৱা নাই। এনে বহু ধুমুহাই তাৰ জীৱন বিদীৰ্ণ কৰি তুলিছে। তথাপি থমকি ৰোৱা নাই। কালিৰ এই ধুমুহাজাকে যেন এক অশনি সংকেত কঢ়িয়াই আনিছে, এনে বোধে আচ্ছন্ন কৰাৰ লগে লগে সি দুখোজ পিছুৱাই আহিল।

এটা দৰিদ্ৰ পৰিয়ালৰ সন্তান অৰিন্দম। তিনি বছৰতে পিতৃৰ বিয়োগ হোৱাৰ পিছত মাকৰ সৈতে জীৱন সংগ্ৰাম আৰম্ভ হৈ গৈছিল। পঢ়া শুনাৰ প্ৰতি তাৰ মন নাছিল। দিনে-নিশাই অংকণ কৰিছিল চিত্ৰ। এখন ভিতৰুৱা গাঁৱত জন্ম গ্ৰহণ কৰা অৰিন্দমৰ সেই চিত্ৰবোৰৰ নাছিল কোনো আদৰ। স্তুপীকৃত হৈ পৰি ৰৈছিল ঘৰৰ এচুকত। এক দুৰ্ঘটনাত মাক শয্যাশায়ী হোৱাৰ লগে লগেই অৰিন্দমৰ জীৱনৰ পট পৰিৱৰ্তন আৰম্ভ হৈ গৈছিল।

নিশান্তৰ সৈতে ঘৰৰ ৰং কৰাৰ কামত নিয়োজিত হৈ পৰে। পুৱাই ৰন্ধা-বঢ়া কৰি মাকৰ বাবে টেবুলখনৰ কাষত থৈ যায়। নিশা ক্লান্তভাৱে উভতি আহি পুনৰ ৰন্ধা-বঢ়া। এক বৈচিত্ৰ্যহীন জীৱন। কুক্ষিগত এই জীৱনক লৈ অৰিন্দমৰ নাছিল কোনো আৱেগ। উপাৰ্জিত টকাৰে মাকৰ চিকিৎসা কৰিব পাৰিছে, সেয়া যেন তাৰ বাবে পৰম গৌৰৱৰ বিষয়। প্ৰয়োজনত কেতিয়াবা দুপৰ নিশালৈ কাম কৰিছে। কাৰো ওচৰত হাত পাতিব নিবিচাৰে অৰিন্দমে। অভাৱৰ পৰা মুক্ত হোৱাৰ পিছতে এক দুৰন্ত বাসনা জাগি উঠিছিল তাৰ।

এটা ঘৰ, এখন বাইক। মাকৰ বাবে ঘৰ আৰু ওচৰৰ সৰু চহৰখনত কাম কৰিবলৈ বাইক। নিশান্তক কথাটো কোৱাৰ লগে লগে কৈছিল—' ময়ো ভাবিছো। এখন বাইক হ'লে চহৰলৈ কাম বিচাৰি যোৱাটো সুবিধা হ'ব।'

এদিন অৰিন্দমৰ আশা পূৰ্ণ হৈছিল। নিশান্তই তাৰ সাঁচতীয়া টকা কেইটা অৰিন্দমক দিছিল। একেখন বাইকতে উঠি দুয়োজনে প্ৰত্যাহিক ওলাই গৈছিল সৰু চহৰখনলৈ। মাজে সময়ে ৰং কৰাৰ লগে লগে চিত্ৰও অংকণ কৰিছিল অৰিন্দমে। নিশান্তই ছবি আঁকিব নাজানে যদিও শিল্পকলাৰ অনুৰাগী আছিল। সি উৎসাহিত কৰিছিল অৰিন্দমক।

হঠাৎ অৰিন্দমৰ জীৱনলৈ ধুমুহা আহিছিল। এটা ষ্ট্ৰোক আৰু তাৰ পিছত চিকিৎসালয়লৈ নিয়াৰ পথতে মৃত্যু হৈছিল অৰিন্দমৰ মাকৰ।

এক অকলশৰীয়া জীৱনবোধে আচ্ছন্ন কৰিছিল তাক। সৰু চহৰখনত দিনে দিনে জনপ্ৰিয়তা আহৰণ কৰিছিল অৰিন্দমে। পৰিচিত হৈছিল এগৰাকী পেইন্টাৰ, চিত্ৰশিল্পী হিচাপে।

ত্ৰিদিপ শইকীয়াই একপ্ৰকাৰ জোৰ কৰিয়ে কামটো দিছিল অৰিন্দমক। ঘৰটোৰ চৌপাশৰ বেৰবোৰ ৰং কৰিব লাগে আৰু প্ৰতিখন বেৰত চিত্ৰ অংকন কৰিব লাগিব। তাৰ হাতত বহু কেইটা আধৰুৱা কাম আছিল। দিনে-নিশাই কাম কৰিলেও এসপ্তাহৰ প্ৰয়োজন। শইকীয়াই নিজৰ চৌহদৰ ভিতৰতে থকাৰ ব্যৱস্থা কৰি দিছিল অৰিন্দমক।

পত্নীৰ সৈতে ডাইৰ্ভোচ হোৱাৰ পিছত একমাত্ৰ ছোৱালী অনন্যাক লৈ ত্ৰিদিপ শইকীয়াক সুখী যেনেই লাগিছিল। শইকীয়াই কি কৰে কোনেও নাজানে। পুৱাই ওলাই যায়, নিশা উভতি আহে। অৰিন্দমে অনন্যাক সুধিছিল, তাই একো ক'ব বিচৰা নাছিল।

অনন্যা চঞ্চল-চপলা এগৰাকী ছোৱালী। ঘৰত চুটি কাপোৰ পিন্ধা আৰু বুকুৰ অৰ্ধেক অংশই মুকলিভাৱে ৰখা— এইবোৰ কথা অৰিন্দমে বেয়া পাইছিল। কিন্তু তাইৰ বেপৰুৱা স্বভাৱটো দেখি এদিন সুধিছিল অৰিন্দমে—' মাৰ ডাইভৰ্চৰ কাৰণ কি?'

' সন্দেহ-অবিশ্বাসে মা-দেউতাৰ জীৱন দুৰ্বিসহ কৰি তুলিছিল। এদিন মা নিৰুদ্দেশ। পিছত গম পোৱা গ'ল দেউতাৰ বন্ধু এজনৰ সৈতে পলাই গৈ মুম্বাই চহৰত আছে।'— কম্পিত কণ্ঠে তাই কৈছিল।

'তোমাৰ মনত পৰে?'

' কিছুদিন মোবাইলত যোগাযোগ হৈছিল। দেউতাৰ পৰা সংগোপনে মই এই কাম কৰি গৈছিলো। কিন্তু.....'

' তাৰ পিছত।'

' এদিন দেউতাই গম পাই মোবাইল ফোনটো ভাঙি পেলাইছিল। দেউতাৰ সেই খং স্বাভাৱিক বুলিয়েই গণ্য কৰিছিলো। কিন্তু যেতিয়াই মই দেউতাৰ কথাবোৰ শুনিছিলো, ক্ষুব্ধ হৈ উঠিছিলো। প্ৰতিবাদ কৰিছিলো।'

' নিশ্চয় কথাবোৰে তোমাৰ মনত আঘাত কৰিছিল।'

' দেউতাই ড্ৰাগছ ব্যৱসায় কৰিছিল। এই কামত কেবাজনো ল'ৰা-ছোৱালীক নিয়োগ কৰিছিল। কম বয়সীয়া ছোৱালীৰ লগত নৈশ যাপন কৰিছিল। মাৰ মনত ক্ষোভ, অসন্তুষ্টি আছিল। প্ৰতিবাদ কৰাটো নিতান্তই স্বাভাৱিক। এক উচ্ছৃংখল জীৱন। দেউতাৰ কোনো পৰিৱৰ্তন নহ'ল। মা যোৱাৰ পিছত নিশা বহু ছোৱালী আহি আমাৰ ঘৰত থাকে। মই সেই অকলশৰীয়া কোঠাটোত সোমাই কান্দো, কেতিয়াবা উদভ্ৰান্তৰ দৰে নিশা বাহিৰলৈ ওলাই আহি আকাশৰ বিশালতা চাওঁ। ঘৰত ৰন্ধা-বঢ়া কৰা বুঢ়ী মানুহজনীয়ে মোৰ মা, দেউতা, আইতা। আইতাই সকলো দেখিও মৌন। কাৰণ পেটৰ ক্ষুধা ইমানেই ভয়ংকৰ যে সকলো দেখিও নেদেখাৰ দৰে কৰাৰ বাহিৰে বিকল্প কোনো পথেই খোলা নাথাকে। আইতাৰ কেও কিছু নাই। একমাত্ৰ আশ্ৰয়স্থলী আমাৰ ঘৰখন।'

অৰিন্দমে ইয়াতকৈ বেছি জনাৰ প্ৰয়োজনবোধ কৰা নাছিল। লাহে লাহে তাৰ মানসিক দ্বন্দ্ব আৰম্ভ হৈ গৈছিল। সীমাহীন প্ৰাচুৰ্যতাই মানুহৰ মাজলৈ নমাই অনা দুৰ্যোগ, নিঃসংগতা, অপৰাধবোধ—এইবোৰ বুজি উঠাটো তাৰ বাবে নিতান্তই জটিল হৈ পৰিছিল। সি দেখি আহিছে দাৰিদ্ৰতা, জীৱন সংগ্ৰাম আৰু তাৰ মাজত থকা আন্তৰিকতা, সহৃদয়তা।

নিশা বিচনালৈ গ'লে, সি এনেবোৰ বিষয় ভাবে। অনন্যাৰ জীৱনলৈ নামি অহা শূণ্যতাৰ সৈতে একাকাৰ হ'ব, সৰু মানুহ হ'লেও তাৰ সীমাবদ্ধ জ্ঞানেৰে তাইৰ মনৰ হাহাকাৰ নাইকীয়া কৰাৰ প্ৰয়াস চলাব— এনে অসংখ্য ভাৱনাই তাৰ চিন্তাৰ পৰিমণ্ডল উত্তপ্ত কৰি তুলিছিল।

ক'ব নোৱাৰাকৈ অনন্যাৰ প্ৰতি তাৰ অনুকম্পা জাগিছিল। লাহে লাহে এক নিবিড় সম্পৰ্ক গঢ়ি উঠিছিল। দিন যোৱাৰ লগে লগে দুয়োৰো মাজত গঢ় লৈ উঠিছিল প্ৰেমৰ এক সম্পৰ্ক। কেতিয়াবা এই সম্পৰ্কক লৈ তাৰ শংকা উপজিছিল। অনন্যাৰ অকৃত্ৰিম স্নেহ আৰু সাহসে তাৰ জীৱনৰ পৰিৱৰ্তন সম্ভৱ কৰি তুলিছিল। এদিন তাইৰ কথা মতে নৈশ বিদ্যালয়, মহাবিদ্যালয়ত পঢ়ি সি স্নাতক ডিগ্ৰী লাভ কৰিছিল।

তাৰ পিছত চাকৰিৰ সন্ধান কৰিছিল। তাৰ পক্ষে এটা চাকৰি লাভ কৰাটো সম্ভৱ হৈ উঠা নাছিল। সি লাহে লাহে সম্প্ৰসাৰিত ৰূপত পেইন্টিঙৰ কাম কৰি গৈছিল। চাৰিজনকৈ ল'ৰাক নিয়োগ কৰি সি তাৰ ব্যৱসায়িক দৃষ্টিভংগীকে সলনি কৰি পেলাইছিল।

অনন্যাৰ দেউতাকে নিজকে যিমানেই প্ৰাচুৰ্যতাৰ মাজলৈ লৈ গৈছিল, সিমানেই তাই একাকীসত্বাত ভুগিছিল। অৰিন্দমৰ বাহিৰে তাইক আশাৰ বাণী শুনাব পৰা কোনেও নাছিল। অৱশেষত এঘাৰ বছৰে গঢ়ি উঠা এই প্ৰেমৰ সম্পৰ্কক স্থায়ী ৰূপ দিব বিচৰাৰ দিনা অৰিন্দম শংকিত হৈ পৰিছিল। তাৰ চকুত অহৰহ ভাঁহি আহিছিল ত্ৰিদিপ শইকীয়া কঠোৰ ৰূপ।

অনন্যাক পলুৱাই নিয়াৰ পিছত ত্ৰিদিপ শইকীয়াৰ কোনো প্ৰতিক্ৰিয়াই নাছিল। সি ভাবিছিল থানাত গোচৰ দিব, আৰক্ষীক অৰ্থ লিপ্সা দেখুৱাই অৰিন্দমক থানাৰ লকআপৰ ভিতৰত নিৰ্মম প্ৰহাৰ কৰিব আৰু দীঘলীয়া বিচাৰ প্ৰক্ৰিয়াৰ পিছত কাৰাৰুদ্ধ জীৱন তাৰ পৰিচয় হ'ব। তিনি বছৰ পিছত শইকীয়াই আন এগৰাকীক ঘৰ সংসাৰ কৰি জীৱনৰ পট পৰিৱৰ্তন কৰিছিল। অনন্যাই কোনো কথাকে অৰিন্দমক ক'ব বিচৰা নাছিল। লাহে লাহে তাইৰ আৰম্ভ হৈ গৈছিল উদভ্ৰান্ত জীৱন। মাকৰ সৈতে তাই এৰিব পৰা নাছিল সম্পৰ্ক। প্ৰত্যাহিক আলাপ, তাইৰ বেংকলৈ অনলাইনযোগে ধন প্ৰেৰণ— মাকৰ সৈতে থকা এই সম্পৰ্কক লৈ সি বিশেষ চিন্তা কৰা নাছিল। ভাবিছিল তাইৰ জীৱনলৈ নামি অহা গভীৰ শূণ্যতা হয়তো পূৰণৰ বাবে মাকৰ এক প্ৰয়াস।

অনন্যাৰ চাল-চলন, মোবাইলৰ সৈতে এৰিব নোৱাৰা আসক্তি দেখি অৰিন্দম ক্ষুব্ধ হৈ পৰিছিল। প্ৰতিটো কথাতে তাইৰ যুক্তি, তৰ্ক আৰু অৱশেষত খণ্ডৰ ভমকত ঘৰৰ বয়-বস্তু লণ্ডভণ্ড কৰাটো এক অভ্যাসলৈ পৰিৱৰ্তন হৈ পৰিছিল।

অনন্যা বাথৰুমত। মোবাইলত অবিৰাম গতিত মেছেজৰ শব্দ আহিছে। লাহে লাহে অৰিন্দমে মোবাইলটো তুলি লৈছিল। এটাৰ পিছত এটা মেছেজ পঢ়ি বাকৰুদ্ধ হৈ পঢ়িছিল। তাৰ অনুপস্থিতিত প্ৰেমৰ গভীৰতাই যে দলৈকে শিপাইছে, সেই অনুভূতি অহাৰ লগে লগে সি মোবাইলটো বিচনালৈ দলিয়াই দি খৰখোজৰে বাহিৰলৈ ওলাই আহিছিল।

সন্ধিয়া উভতি আহি দেখে অনন্যা নাই। টেবুলখনত পৰি ৰৈছে এখন চিঠি। খুলি দেখিছিল কেইষাৰিমান বাক্য— 'গুড বাই। টুডে ইভিনিং আই উইল প্ৰচিড টু মুম্বাই। ডন্ট ট্ৰাই টু মিট মি।'

অৰিন্দম কঁপি উঠিছিল। সি শ্লথ গতিৰে বাহিৰলৈ আহি গেটৰ ওচৰত বহু সময় ধৰি থিয় হৈ থাকিল। তীব্ৰ হৰ্ন বজাই গাড়ীবোৰ অহা যোৱা কৰিছে। আলোকময় হৈ পৰিছে সমগ্ৰ চহৰ। কিন্তু অৰিন্দম সঠিকভাৱে থিয় হৈ থাকিব পৰা নাই। এজাক যেন ধুমুহাই তাক মহতিয়াই নিছে।

' হেৰ অৰিন্দম, তই এতিয়াও যে আঁতৰি যোৱা নাই।'— চিদানন্দ মাষ্টৰৰ কথা শুনি সি থমমত খাই হৈ উঠে।

অৰিন্দমে দেখে এখন গাড়ীত পৌৰ নিগমৰ মানুহ আহিছে। হুৰমুৰকৈ গাড়ীৰ পৰা মানুহবোৰ নামিছে। প্ৰত্যেকৰে হাতে হাতে দা, কুঠাৰ। খন্তেক পিছতে গছ কটা মেশ্বিন লৈ আন এখন গাড়ী। যেন যুদ্ধৰ প্ৰস্তুতি। যিমানেই গছৰ ডাল পাতবোৰ আঁতৰাই আছে, সিমানেই দেখা গৈছে এখন বিধ্বস্ত বেৰ। খণ্ড-বিখণ্ড হৈ পৰি ৰৈছে অংকিত চিত্ৰবোৰক সাৱটি থকা ইটাৰ টুকুৰা।

কালি নিশা সম্পূৰ্ণ কৰা চিত্ৰবোৰ এতিয়া ইতিহাস। নিশা মদসিক্ত হৈ বেৰখনৰ কাষত বহি থকা বিমল, মদন, ভুপতিহঁত মাথো হৈ সাক্ষী হৈ থাকিল। এই মুহূৰ্তত তাৰ মনলৈ আহিছে এক প্ৰশ্ন— সিহঁতে বাৰু ছবিবোৰৰ অৰ্থ বুজি পালেনে?

হঠাৎ বাজি উঠে তাৰ মোবাইল ফোন। সি ফোন ৰিচিভ কৰাৰ ইচ্ছা প্ৰকাশ নকৰিলে। অবিৰাম গতিত বাজি থাকে অৰিন্দমৰ ফোন।

মোবাইল উলিয়াই দেখে অনন্যাৰ বাৰটা মিছ কল। অনন্যাই ফোন কৰিছে কিয়? পুনৰ সি মোবাইলটো পকেটত ভৰাই ল'লে।

মিউনিচিপালটিৰ মানুহবোৰক সি সহায় কৰিছে। বেৰখনৰ অৱশিষ্ট অংশৰ যাতে ক্ষতি নহয়, তাৰ বাবে অনুৰোধ কৰিছে। তাৰ চকুৰ সন্মুখত ধূসৰ হৈ পৰে সেই চিত্ৰবোৰ। প্ৰকৃতিৰ ভয়াবহতাৰ পৰা বিজ্ঞান আৰু প্ৰযুক্তিয়ে মানুহক ৰক্ষা কৰিব নোৱাৰে। নহ'লে ভয়ংকৰ ধুমুহাৰ পৰা মানুহক ৰক্ষা কৰাৰ বাবে অলেখ উপায় উদ্ভাৱন হ'লহেঁতেন। সুৰক্ষিত থাকিলহেঁতেন কালি অংকণ কৰা দেৱালখন।

সি পুনৰ শুনে মাষ্টৰৰ কণ্ঠ।

ঘূৰি চাই দেখে চিদানন্দ মাষ্টৰৰ কাষত এটা শিলৰ মূৰ্ত্তিৰ দৰে থিয় হৈ আছে অনন্যা।

# শ্ৰদ্ধাঞ্জলি - লতা মংগেশকাৰলৈ

**ময়ূৰাক্ষী গগৈ, যোৰহাট**



হে মহান শিল্পী লতা মঙ্গেশকাৰ।
আপোনাক হৃদয় ভৰা শ্ৰদ্ধাঞ্জলি জনাইছোঁ।
হে কুকিলকণ্ঠী,
ভাৰতৰ নাইটিংগল আপুনি।
আপোনাৰ কণ্ঠই সকলোৰে অন্তৰ জিনি আছে।
নিয়তিৰ ওচৰত হাৰ মানি
আপুনি অজান দেশলৈ গ'লগৈ।
আপোনাৰ বিয়োগত ভাৰতীয় সংগীত জগত
যেন উকা হৈ পৰিল।
অবাল বৃদ্ধ বনিতা
সকলো ওলাই আহিছে
আপোনাৰ অন্তিম যাত্ৰাত ভাগ লৈ
শেষ শ্ৰদ্ধা জনাবলৈ।

# এটি গীত হেৰাই গ'ল

**নিতিস্মান দাস, সপ্তম শ্ৰেণী**



এটি গীত হেৰাই গ'ল, এটি গীত নোহোৱা হ'ল,
যি গীতটিৰ আনন্দৰ সৈতে, কেতিয়াবা নয়ন হৈ পৰে সজল।
সেই গীতটিত ভাৰতীয়লোকৰ উশাহ থাকে,
যি গীতটিত চিৰসেউজীয়া সুবাস থাকে,
যি গীতটিত সকলোৰে প্ৰাণ থাকে,
যি গীতটিৰ ভাৰতীয়ৰ মাত থাকে,
যি গীতটিত মৰমৰ এটি সুৰ থাকে,
আৰু চিৰযুগমীয়া গীতৰ নামত থাকে।
বিনাপাণি ধৰালৈ যেন অৱতাৰ লৈছে,
কুকিল কণ্ঠী মাৰাঠী পৰিয়ালত জন্মিছে।
হেমা নামে প্ৰথমে পৰিয়াল পৰিচিত,
লতা নামেৰে পৃথিৱীত জনাজাত।
সুৰ এনে লাগে যেন এখনি বৈ থকা নৈ,
নিজৰ সুৰীয়া মাতেৰে সক্ষম হল আকাশ চুবলৈ।
এওঁৰ দুখৰ গান শুনি সকলোৰে চকুত পানী,
এওঁৰ সুখী গানত হয় সকলো সুখী।
বিভিন্ন ভাষাৰ গীত গায় তেওঁ সকলোৰে প্ৰিয় হলে,
এনেকৈ আগ বাঢ়ি তেওঁ জগত জিনিলে।
কিছু লোকৰ বাবে এওঁ মহান গায়িকাৰ স্বৰূপ,
কিছু লোকৰ বাবে এওঁ দেৱী সৰস্বতীৰ ৰূপ।
পদ্ম ভূষণ নে ভাৰত ৰত্ন পুৰস্কাৰ,
ইয়াতকৈয়ো অধিক পুৰস্কাৰৰ আছে অধিকাৰ।
হে! মহান শিল্পী কেনেকৈ তোমাক উভতি পাম?
উভতি আহিলে গাবানে এনে সুৰীয়া গান?
তোমাৰ গীততেই আছে সকলোৰে প্ৰাণ,
কাৰণ তুমি শিল্পীয়েই সচাঁকৈ হয় মহান।
চকুলো বোৱাই তোমাক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ,
তোমাৰ আশীৰ্বাদ নেপালেওঁ, শত কৌটি প্ৰণাম জনালোঁ।

# এটি শিশুৰ পৰা এজন সু-সন্তুলিত ব্যক্তিলৈ

**কৌশল্যা বৰা**



এযাৰ কথা সঁচাই বৰ মনত ৰৈ যোৱাকৈ আকৰ্ষণীয়- 'এটি শিশু বিশ্বৰ তৃষ্ণা পূৰ কৰিব পৰা অবৰ্ষিত বৰ্ষা।' পৃথিৱীখনক সুন্দৰ কৰি গঢ়ি তুলিছে মানুহেই। আজিৰ প্ৰভাৱশালী শিশুহঁতে কাইলৈৰ সভ্যতাক ন ন ৰূপেৰে সাজু কৰি তুলিব। নতুন সম্ভাৱনাৰে জন্ম লোৱা আজিৰ আমাৰ শিশুটি কাইলৈ বিশ্বৰ খিয়াতি। সেই কথা বুজিয়েই এটি শিশুৰ সৰ্বাংগীন বিকাশৰ কাৰণে তাৰ জন্মদাতা পিতৃ-মাতৃ নতুবা অভিভাৱকে সকলো ধৰণৰ চেষ্টা কৰে। নিজে পৰাখিনি কৰাৰ উপৰিও দহজনৰ পৰামৰ্শও বিচাৰে, নিজৰ সন্তানটিক সজ শিক্ষাৰে শিক্ষিত কৰি মানুহৰূপে গঢ়ি তুলিবলৈ। কিন্তু শিশুটিৰ শিক্ষা কেতিয়াৰ পৰা আৰম্ভ কৰিব। প্ৰকৃতাৰ্থত শিশু এটিৰ শিক্ষা আৰম্ভ হয় জন্মৰ পৰাই। জন্মৰ পাছৰ পৰা পাঁচ বছৰলৈ এটি শিশুক আহাৰ, কাপোৰ, জিৰণি, নিদ্ৰা, দৈহিক যত্নৰ বাবে সহায়ৰ প্ৰয়োজন হয়। এই সময়ৰ সহায়, যত্নখিনিৰ পৰাই শিশুৱে একো নুবুজাকৈয়ে সময়ৰ জ্ঞান আয়ত্ব কৰে। পিতৃ-মাতৃ বা অভিভাৱকে শিশুৰ এই কামখিনি কৰোঁতে তাতেই শিশুটিয়ে সময়ানুৱৰ্তী, পৰিস্কাৰ পৰিৱেশ, সুস্থ জীৱন প্ৰণালী, মাতৃভাষাৰ বুনিয়াদী জ্ঞান, মৰম, যত্ন, ভাল আচৰণ আদিৰ প্ৰভাৱত আহে। যিবোৰে ভৱিষ্যত গোটেই জীৱনক প্ৰভাৱিত কৰেগৈ। সচেতন সকলো পিতৃ-মাতৃ আৰু অভিভাৱকেই সেইসমূহ অতি নিখুঁত ভাৱে সম্পন্ন কৰাৰ চেষ্টা কৰে। সময়ৰ পৰিবৰ্তন হৈছে, আমাৰ শিশু অৱস্থাক এতিয়াৰ শিশুৰ মাজত বিচাৰিলে ভুল হ'ব সঁচা কথা। কিন্তু কিছুমান এনে বিষয় আছে যিবোৰ সৰ্বকালৰ বাবে গ্ৰহণযোগ্য । তাৰ ভিতৰত নৈতিক আৰু আধ্যাত্মিক জ্ঞান অতি উল্লেখযোগ্য। আমাক শিশুকালত শুৱাবলৈ খুৱাবলৈ যত্ন কৰিছিল নিচুকনি গীত, প্ৰাৰ্থনা, সাধুকথা আদিৰে। খোৱা, শোৱাৰ সময়তেই আমি আইৰ কোলাতে কামৰ ভাল-বেয়া, ভগৱানৰ কৃপাত কেনেকৈ ৰত্নাকৰো বাল্মিকী হ'ব পাৰিছিলে, কেনেকৈ কঠোৰ তপস্যা (আন অৰ্থত পৰিশ্ৰম)কৰি প্ৰহ্লাদে ভগৱানক পাইছিল, কেনেকৈ ধ্ৰুৱই ব্ৰহ্মপদ লাভ কৰিছিল এইবোৰ শুনি মনক সুন্দৰ পথেদি আগবঢ়াই নিয়াৰ অজানিত পুলক অনুভৱ কৰিছিলোঁ। কিন্তু, এতিয়াৰ শিশুসকল পূৰ্বতকৈ বহু জটিল পৰিৱেশত ডাঙৰ-দীঘল হৈছে। ইণ্টাৰনেট, ম'বাইলৰ আগমনে শিশুৰ ওপৰতো গুৰুতৰ প্ৰভাৱ পেলাইছে। এতিয়াৰ শিশুৱে ম'বাইল, কম্পিউটাৰ কাষত ৰাখিহে শোৱা, খোৱাৰ কামবোৰ কৰিছে। কৰ্মৰত পিতৃ-মাতৃৰ শিশুৰ যত্নৰ বাবে সময় কমি গৈছে। যিহেতু শিশুটিক কম সময় ওচৰত পাই সেয়ে সেইখিনি সময় তেওঁলোকে তাক মৰমত ডুবাই ৰাখিব বিচাৰে। সময়ৰ অভাৱৰ বাবেই হওক বা নগৰীয়া জীৱনপ্ৰণালীৰ বাবেই হওক বৰ্তমান কোনো শিশুৱেই মামাতৃ-কোলাত সাধু, প্ৰাৰ্থনা আদি শুনিবলৈ নাপায়। আধুনিক জীৱন যাত্ৰাইও এই দিশত প্ৰভাৱ পেলাইছে। তাৰোপৰি অভিভাৱকৰ অধিক মৰমত আসৈ পোৱা শিশু অবাধ্যও হয়। মৰমৰ সতে সদায় শাসন থকাটো বাঞ্ছনীয়। কেৱল মৰম আদৰ আচহুৱা আলহীৰ ক্ষেত্ৰতহে খাপ খাই। এই ধৰক, দুদিনমান থাকিব তাৰপাছত গুছি যাব, গতিকে সহি-সামৰি থাকক আৰু। কথাটো ঠিক তেনে হ'ব নালাগে। ল'ৰা-ছোৱালীক সৰু সৰু কথাবোৰ সৰুৰে পৰাই শিকাব লাগে মৰমেৰে, বুদ্ধিৰে নতু শাসনেৰে। নুবুজাটোক বুজাওঁতে কিছু শাসনৰ প্ৰয়োজন নুই কৰিব নোৱাৰি। আন এটা কথা স্বীকাৰ্য যে, পিতৃ-মাতৃৰ যত্নৰ লগে লগে ল'ৰা-ছোৱালীৰ নিজৰ ওপৰতো বহুখিনি কথা নিৰ্ভৰ কৰে। লাহে লাহে যেতিয়া শিশু এটি ডাঙৰ হৈ আহে অৰ্থাৎ বাল্যকাল তাৰপাছত কৈশোৰ কালত ভৰি দিয়েহি তাৰ মাজত কিছুমান বৈশিষ্ট্য ফুটি উঠে। নিচেই সৰুতে যেতিয়া শিশু বোৰ মাক-দেউতাকৰ কানি-কামোৰা হৈ থাকে। তেতিয়া সিহঁতৰ স্বভাৱ চৰিত্ৰক ইতিবাচক দিশৰ পিনে গতি লোৱাব পাৰি। কিন্তু এটা বয়সৰ পাছত সিহঁতৰ নিজা চিন্তা, ভাৱনা জাগ্ৰত হয়। বিশেষকৈ কৈশোৰকালত বুদ্ধি আৰু বিকাশৰ পৰিবৰ্তন হয়। বৌদ্ধিক, সামাজিক আৰু আৱেগিক বিকাশ ঘটে। এই সময়চোৱাত কিন্তু সিহঁতৰ কাৰ্য্যৰ বাবে বহু পৰিমাণে সিহঁত নিজেও জগৰীয়া হয়। কিয়নো এইটো বয়সত সিহঁতে নিজৰমতে বহুত কাম কৰিবলৈ আৰম্ভ কৰে। তেতিয়া কিন্তু সিহঁতে পিতৃ-মাতৃৰ পৰা পোৱা মৰম, অধিকাৰ আৰু নিজৰ কৰ্তব্যৰ প্ৰতি সচেতন হ'বই লাগিব। পিতৃ-মাতৃ বা অভিভাৱকৰ পৰা মৰম, অধিকাৰৰ সম্পূৰ্ণ সদ্ব্যৱহাৰ কৰিব জানিব লাগিব। কেৱল পাঠ্য-পুথিৰ শুদ্ধ উত্তৰ জানি সৰহ নম্বৰ গোটালেই ন'হ'ব। সৎ চৰিত্ৰ গঠন কৰি জীৱনত শুদ্ধ অশুদ্ধৰ প্ৰাৰ্থক্যও বুজিব লাগিব। সিহঁতে শুদ্ধটো গ্ৰহণ কৰি অশুদ্ধটো বৰ্জন কৰিব পাৰিব লাগিব। এখন সভ্য সমাজত জ্যেষ্ঠ সকলে কনিষ্ঠ সকলৰ পৰা আশাকৰা নিয়ম, সততাক ৰক্ষা কৰাৰ জ্ঞান অৰ্জন কৰিব পাৰিব লাগিব। পিতৃ-মাতৃৰ মৰমৰ সুবিধা লৈ অবাধ্য হ'ব নালাগিব। চাৰিওকাষৰ মানুহক ভাল পোৱা, সন্মান কৰা, জেদী মনোভাব নোলোৱা, পৰিশ্ৰম কৰিবলৈ শিকা, আবেগক নিয়ন্ত্ৰণ কৰিব পৰা, নিজৰ দোষ, ভুল মানি লোৱা ইত্যাদি গুণবোৰ গ্ৰহণ কৰিব পাৰিলেহে আজিৰ শিশুটি কাইলৈ মানৱ সম্পদ ৰূপে গঢ়ি উঠিব। নতু, পিতৃ-মাতৃৰ বাবে শিশুটি কঠিন শিল গঢ় দিবলৈ লোৱাৰ দৰে বৃথা চেষ্টাহে হ'ব। অভিভাৱকেও শিশুটিৰ পৰা ভৱিষ্যতে কি আশা কৰে, সিহঁতে অভিভাৱকৰ সন্মান ৰক্ষাৰ্থে কেনেধৰণৰ কাম কৰা উচিত এনেবোৰ কথা ল'ৰা-ছোৱালীক সুন্দৰকৈ বুজাই দিব পাৰিব লাগে। কেৱল ভাত-কাপোৰ, প্ৰটিন, ভিটামিন, বিচৰামতে নানানটা সুবিধা দি আলেখ-লেখ চাই থাকিলেই শিশুৱে শুদ্ধ বাট চিনি পোৱাত ভুল কৰিব পাৰে। আকৌ শিশুৱেও সেইকথাবোৰৰ গুৰুত্ব উপলব্ধি কৰিব পাৰিব লাগে।

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025
৩০ মাঘ, ১৪২৭ চন Rongili Barta, Date of Publication-- 13 February, 2022

# আন্দোলনেই সমস্যা সমাধানৰ একমাত্ৰ উপায় নেকি?

ঋষি লহকৰ



আন্দোলন কিয় আৰু কিহৰ বাবে? আন্দোলনে ভৱিষ্যৎ প্ৰজন্মৰ কিবা সমাধান উলিয়াহব পাৰিছেনে? আন্দোলনৰ ফলত আমি কিবা বাস্তৱ প্ৰতিচ্ছবিৰ ফল লাভ কৰিব পাৰিছোনে? এনেবোৰ প্ৰশ্নই কেতিয়াবা মনটোক অশান্তিপূৰ্ণ কৰি তোলে। ইয়াৰ কেতিয়াও অন্ত নপৰে নেকি? আৰু এটা কথা এই যে আন্দোলন কৰাৰ কাৰণ কি? সাধাৰণতে মই ক'বলৈ ওলাইছে। ইয়াৰ কাৰণ সাধাৰণতে প্ৰাপ্যৰ পৰা বঞ্চিত হৈ অহা বাবে একাংশই আন্দোলন কৰা দেখা যায়, একাংশই আকৌ দুৰ্নীতি ৰোধৰ বাবে, একাংশই হত্যা, হিংসা, লুণ্ঠনৰোধৰ বাবে, একাংশই দুৰ্ঘটনাজনিত কাৰণ ৰোধৰ বাবে, একাংশই জীয়াই থকাৰ বাবে, একাংশই বানপানী গৰাখহনীয়া ৰোধৰ বাবে, একাংশই নিবনুৱা সমাধানৰ বাবে, একাংশই ভৌগোলিক চাৰিসীমাৰ সমাধানকে ধৰি বিভিন্ন সমস্যা সমাধনৰ বাবে আন্দোলনত নামি পৰা দেখা পোৱা যায়। এইটো সঁচা অৰ্থত ক'বলৈ গ'লে আমি এইটোয়ে বুজো, যে আন্দোলন নকৰিলে চৰকাৰ বা প্ৰশাসন ব্যৱস্থাই অকণো গুৰুত্ব নিদিয়ে। তেনে ক্ষেত্ৰত একাংশই ভুক্তভোগীয়ে আন্দোলন চলাই চৰকাৰৰ দৃষ্টি আকৰ্ষণ পাত্ৰস্বৰূপ হয় পাৰে। আৰু এই আন্দোলনৰ পৰিপ্ৰেক্ষিততে চৰকাৰে কিছু কিছু ক্ষেত্ৰত কাৰ্য পালন কৰাটো দৃষ্টিগোচৰ হৈ আহিছে। কথা হ'ল এতিয়া আন্দোলন মানে সহজ অৰ্থত দৃষ্টিগোচৰ কৰোৱা। সেয়েহে আন্দোলন হ'ব লাগে যুক্তি সংগত। আন্দোলনৰ বাবে আন্দোলন কৰিলে সেই আন্দোলন হয় মহাব্যাধিস্বৰূপ। অহিংসা নীতিৰ মাধ্যমেৰে আন্দোলন আগবাঢ়িলে ফলপ্ৰসু পোৱাটো নিশ্চিত। কিন্তু কথা হ'ল এতিয়াৰ প্ৰায় সংখ্যক আন্দোলনেই হৈ আহিছে ক্ষমতাকেন্দ্ৰিক, ব্যক্তিস্বাৰ্থ জড়িত, উচটনিমূলক, নেতৃত্ব বহন আদি। উচটনিমূলক আৰু হিংসাজড়িত আন্দোলনৰ বাবে আন্দোলনথলী ৰণথলীত পৰিণত হোৱা দেখা যায়। ৰাজপথ তেজেৰে ৰাঙলী হৈ পৰে। মইভাৰো তেনে আন্দোলনৰ কোনো যুক্তিযুক্ততা আছে জানো। তেনে আন্দোলনে কেতিয়াবা সমস্যা সমাধান কৰিব নোৱাৰে বৰং বেছি ভয়ংকৰ হ'ব পৰা দেখিবলৈ পোৱা যায়। আজিৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য কৰি কওঁ যে কোনো কোনো ক্ষেত্ৰত অহিংসা আন্দোলনৰ কিছু প্ৰাসংগিকতা নথকাও নহয়। এতিয়া কথা হ'ল যে আন্দোলনৰ ভাষা বা অৰ্থ বুজি নোপোৱা একাংশইকিহৰ বাবে আন্দোলনৰ পথলৈ ওলাই আছে, হয়তো সেইসকলে আনৰ প্ৰৰোচনাত আন্দোলন পথলৈ ওলাই আহি আন্দোলনৰ ৰূপ বিকৃত আৰু ভয়াৱহ কৰি তোলে। তেনে আন্দোলনে কোনোদিনে সমস্যা সমাধান কৰিব নোৱাৰে। বৰং জ্বলা জুইত ঘিঁউ ঢালিহে থাকিব পাৰিব। আমি সকলোৱে আশা কৰা উচিত যে এখন আন্দোলনমুক্ত সমাজ, দেশ বিশ্ব শান্তিৰ পৰিবেশ গঢ়ি তুলিব পাৰিলে আন্দোলনৰ কোনো যুক্তিযুক্ততাই নাথাকিব।

## Beauty of the Week




NABANYA KAUSHIK

## Art of the Week



Salma samsee yesmin

## Photography of the Week




Sabrina Nawaz

Beauty of the Week Art of the Week আৰু · Photography of the Week লৈ আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286